# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

REFERENCE,
(NOT FOR ISSUE)
READING ONLY INSIDE LIBRARY

## OFFICIAL REPORT

FOURTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTION UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION

## VOLUME IV
## NO. 15

The 23rd March 1984

सत्यमेव जयते

1988

Printed at the Sandeep Printers, Dispur, Guwahati—6

# DEBATES OF THE
# ASSAM, LEGISLATIVE ASSEMBLY, 1984

( BUDGET SESSION )

VOLUME IV

NO. 15

REFERENCE,
( NOT FOR ISSUE )
READING ONLY INSIDE LIBRARY

The 23rd March, 1984

CONTENTS

Pages

1. Starred Questions And Answers .... .... 1

2. Voting on Demands for Grants .... .... 22

3. Adjournment .... .... 48

# ASSAM
# LEGISLATIVE ASSEMBLY DEBATES

OFFICIAL REPORT

FOURTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTION UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION

## Volume IV

## No. 15

The 23rd March, 1984

Proceedings of the Fourth Session of the Assam Legislative Assembly assembled after the Seventh General Election under Sovereign Democratic Republican Constitution of India.

PRESENT

The House met in the Assembly Chamber, Dispur, Guwahati on Friday, the 23rd March, 1984, with the Hon. Speaker, in the Chair, 17 (Seventeen) Ministers, 5 ( Five ) Ministers of State, 5 ( five ) Deputy Ministers 1 ( one ) Parliamentary Secretary and 57 (Fifty Seven) Members.

# QUESTIONS AND ANSWERS

## STARRED QUESTIONS

( To which oral reflies were given )

*Re* : **The number of employees in Panchayat and Makhuma Parishad.**

Shri Joynal Abedin asked.

*127. Will the Minister, Panchayat be pleased to state—

(a) The number of employees at present working in Panchayat and Mahkuma Parishad excluding deputed staffs in the State ?

(b) Whether Panchayat employees in Assam are regularly getting their monthly salary ?

(c) Whether there is any demand from the employees working in the Panchayat Offices for arrear salary ?

(d) If so, what are these ?

(e) Whether Government has any proposal for taking over the Panchayat employees of Assam or to sanction grant-in-aid as per their requirement ?

Shri Upendra Das (Minister, Panchayat) replied :

127. (a)—The number of employees working in the G. Ps is 4358 and in the Mahkuma Parishads 766.

(b)—No.

(c)—Yes.

(d)—They want provincialisation of the Panchayat employees, payment of arrear salary, withdrawal of Government order for paying the basic pay order, to give effect of revised pay scale as per R. O. P. Rule and for stopping appointment of new staff for M. Ps. and G. Ps.

(e)—At present there is no proposal for taking over the Panchayat employ es by Government Grants-in-aid in lieu of land Revenue and Local Rate being proposed at an enhanced rate on the basic of Projected population of 1981, Further the financial assistance to the Panchayat Institutions is proposed to be increased both in plan and non-Plan Budget.

শ্রীজয়নাল আবেদিন—মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে কৈছে যে পঞ্চায়ত কৰ্ম্মীসকলক এৰিয়াৰ টকা দিবলৈ বাকী আছে। মন্ত্রী মহোদয়ে এটা কথা জনাবনে এই কৰ্ম্মীসকলৰ এৰিয়াৰ ডিমান্দ কিমান ?

শ্রীউপেন দাস (মন্ত্রী)—অধ্যক্ষ মহোদয়, তেওঁলোকৰ এৰিয়াৰ পে হিচাব কৰি দেখা গল প্ৰায় ২ কৌটি মান হব। তাৰ ভিতৰত চৰকাৰে বিবেচনা কৰি ১ কৌটি ৬৪ লাখ ৭৫ হাজাৰ ৭৪৭.৫২ টকা মঞ্জুৰ কৰিছে আৰু এই টকা সোনকালে দিয়াৰ বাবে চিন্তা কৰা হৈছে।

শ্রীজয়নাল আবেদিন—অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে কৈছে যে এই এই কৰ্ম্মীসকলক দিবলৈ প্ৰায় ২ কৌটি টকাৰ প্ৰয়োজন আৰু ওপৰোক্ত টকাখিনি চৰকাৰে মঞ্জুৰ কৰিছে। এই টকাখিনি মঞ্জুৰ কৰোতে সেই কৰ্মী-সকলৰ লগত পৰামৰ্শ কৰি কৰিছে নে নাই সেইটো জনাব নে ?

শ্রীউপেন দাস (মন্ত্রী)—অধ্যক্ষ মহোদয়, এই বিষয়টো তেওঁবিলাকৰ লগতো আলোচনা কৰা হৈছে। কিন্তু আমাৰ গাওঁপঞ্চায়তবোৰে পুজি সংগ্ৰহ কৰি এই টকাবোৰৰ কিছু অংশ বহন কৰিব লাগে। আমাৰ বৰ্ত্তমান গাওঁ পঞ্চায়তবোৰেৰ পুজি সংগ্ৰহৰ যিটো অৱস্থা তালৈ চাই দেখা গৈছে যে

তেওঁলোকে এই অংশ দিবলৈ সক্ষম নহয়। তথাপি চৰকাৰে এই লোকসকলক প্ৰজেকটেড্ পপুলেচন হিচাবে লৈ যিখিনি সহায় কৰিব পৰা যায় তাৰ ব্যৱস্থা হাতত লৈছে।

শ্ৰীজয়নাল আবেদিন—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাব নে এই টকা কিমান দিনৰ ভিতৰত দিব পৰা হব?

শ্ৰীউপেন দাস (মন্ত্ৰী)—চৰকাৰে অতি সোনকালে এই টকা দিয়াৰ ব্যৱস্থা কৰিব।

শ্ৰীবৰকট উল্লাহ—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এটা কথা জনাব নে এই কৰ্মীসকলক কিমান মাহৰ টকা দিবলৈ বাকী আছে?

শ্ৰীউপেন দাস (মন্ত্ৰী)—এই কৰ্মীসকলক কম-বেছি পৰিমাণে ৩০ মাহৰ টকা দিবলৈ বাকী আছে।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ—অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো। গাওঁ পঞ্চায়তত যিসকল কৰ্মী আছে তেওঁলোকক চৰকাৰে দৰমহা দিব লাগে নে গাওঁপঞ্চায়তে পুজি সংগ্ৰহ কৰি দিব লাগে?

শ্ৰীউপেন দাস (মন্ত্ৰী)—প্ৰকৃততে গাওঁপঞ্চায়ৰ পুজিৰ পৰাই তেওঁলোকৰ দৰমহা দিয়া হয়।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ—অধ্যক্ষ মহোদয়, গাওঁ পঞ্চায়তৰ পুজি তৈয়াৰ কৰাৰ কাৰণে কি ব্যৱস্থা আছে?

শ্ৰীউপেন দাস (মন্ত্ৰী)—গাওঁ পঞ্চায়তবোৰক চৰকাৰে 'গ্ৰেন্টচ ইন এইদ' দিয়ে। তাৰ বাহিৰে গাওঁ পঞ্চায়তবোৰে গাওঁৰ হাত-বজাৰ আদিৰ পৰা কৰ সংগ্ৰহ কৰি তেওঁলোকৰ পুজি তৈয়াৰ কৰে। এতিয়া তেওঁলোকৰ কৰ্মীৰ সংখ্যা বেচি হোৱা কাৰণে সকলো কৰ্মীকে দৰমহা দিব পৰা নাই। গাওঁ পঞ্চায়ত বোৰক অধিক পুজি তৈয়াৰ কৰাৰ কাৰণে কোৱা হৈছে।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ—অধ্যক্ষ মহোদয়, গাওঁ পঞ্চায়তবোৰৰ বাজেট কৰাৰ ব্যৱস্থা আছে নে নাই। যদি আছে সেইটো চৰকাৰৰ দ্বাৰা এপ্ৰুভ কৰাৰ ব্যৱস্থা কৰা হৈছে নে?

শ্ৰীউপেন দাস (মন্ত্ৰী)—তেওঁলোকৰ বাজেট মহকুমা পৰিষদৰ যোগেদি কৰা হয়। মহকুমা পৰিষদে এষ্টিমেট কৰি চৰকাৰক জনায় আৰু সেইমতে চৰকাৰে এপ্ৰুভ কৰে।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ—এই ব্যৱস্থা কেনেকৈ কৰা হয়। চৰকাৰে নিৰ্দ্দেশ দি কৰে নে তেওঁলোকৰ পৰা আহে। এই কৰ্মীসকলৰ অভাব অভিযোগৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকৰ অভাববোৰ একেবাৰে নাইকীয়া কৰিবৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা কৰি দিব নে?

শ্ৰীউপেন দাস (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, মই আগতে কৈছোঁৱেই যে তেওঁলোকে পুজি সংগ্ৰহৰ সংখ্যা বৃদ্ধি কৰিব লাগে। ইয়াৰ আগতে কি আছিল মই কব নোৱাৰো, কিন্তু এই চৰকাৰ অহাৰ পৰা কেনেকৈ তেওঁ-লোকে উপাৰ্জন বৃদ্ধি কৰিব পাৰে তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, গাওঁ পঞ্চায়তবোৰক কিমান দিনৰ পৰা লেণ্ড ৰেভিনিউ আৰু লোকেল টেক্স দিবলৈ বাকী আছে?

শ্ৰীউপেন দাস (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, বাকী দিবলগীয়া টকা কিছু পৰিমাণে দি থকা হৈছে। চৰকাৰৰ তৰফৰ পৰা যিটো গ্ৰেণ্টচ ইন এইড দিয়া হয় সেইটোহে কিছু পৰিমাণে দিবলৈ বাকী আছে। এতিয়া সেইটো দিবলৈ ব্যৱস্থা কৰা হৈছে।

শ্ৰীচিলভিয়াচ কন্দপান—অধ্যক্ষ মহোদয়, গাওঁ পঞ্চায়তৰ যিবিলাক কৰ্মী আছে তেওঁলোকে চৰকাৰৰ প্ৰশাসন যন্ত্ৰটো চলাওঁতে অধিক পৰিমাণে সহায় কৰে আৰু গ্ৰামোন্নয়নৰ ক্ষেত্ৰত তেওঁলোকৰ অবদান বহুত। এই কৰ্মী সকলৰ স্থায়ীভাৱে আৰু নিয়মিয়াকৈ দৰমহা নিদিয়াৰ কাৰণে তেওঁলোক নিৰুৎসা হয়। এই লোক সকলক আমি যদি তেওঁলোকে পাবলগা সা-সুবিধা খিনি দিব নোৱাৰো তেনেহলে চৰকাৰৰ কামত নানাবোৰ অসুবিধা হব। গতিকে এই কথাবোৰ বিবেচনা কৰি পঞ্চায়ত কৰ্মীসকলক নিয়মীয়াকৈ দৰমহা দিয়াৰ ব্যৱস্থা কৰিব নে?

শ্ৰীউপেন দাস—অধ্যক্ষ মহোদয়, এই কৰ্মীসকলক চৰকাৰৰ সম্পূৰ্ণ অধীনলৈ আনিলে অসুবিধা আছে। মই আগতে কৈছো যে তেওঁলোকৰ দৰমহা আদি অধীক পৰিমাণে তেওঁলোকৰ পুজিৰ ওপৰত নিৰ্ভৰ কৰে। আনহাতে তেওঁ-লোকক চৰকাৰৰ অধীনলৈ আনিলে তেওঁলোকৰ কামৰ যিটো উৎসাহ সেইটো নাথাকিব।

শ্ৰীচিলভিয়াচ কন্দপান—অধ্যক্ষ মহোদয়, অমাৰ যিবোৰ চৰকাৰী বিষয়া কোনো বোৰ্ড বা কৰ্পৰেচনত নিযুক্তি দিলে তেওঁলোকে পূৰ্ণ পৰ্য্যায়ৰ দৰমহা

আৰু সা-সুবিধা গ্ৰহণ কৰে। কিন্তু পঞ্চায়তৰ কৰ্মচাৰী সকলক এই সুবিধাৰ পৰা বঞ্চিত কৰা হৈছে কিয়? চৰকাৰী কৰ্মচাৰী সকলৰ দৰে তেওঁলোককো সা-সুবিধাবোৰ দিয়াৰ ব্যৱস্থা কৰিব নোৱাৰি নে?

শ্ৰীউপেন দাস (মন্ত্ৰী)—বিবেচনা কৰি চোৱা হব।

শ্ৰীমহম্মদ চিৰাজুদ্দিন—অধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰী মহোদয়ে কৈছে যে পঞ্চায়তটো তেওঁলোকে নিজে নিজে পাতি লোৱা এটা অনুষ্ঠান। মই ৪ বছৰ মহকুমা পৰিষদৰ কাইন্সিলৰ আছিলো। গতিকে পঞ্চায়ত অনুষ্ঠানৰ দুৰ্দ্দশাৰ কথা মই জানো। এই বিষয়ে কেইবা বাৰো মই সদনত প্ৰশ্ন দাঙি ধৰিছিলো। পঞ্চায়তটো যেতিয়া চে্লফ কনট্ৰোল অনুষ্ঠান গতিকে চৰকাৰে ইয়াৰ দায়িত্ব গ্ৰহণ কৰিবনে? আৰু অসমত পঞ্চায়ত কৰ্মী আছে ৪ হাজাৰ ৩শ ৫৮ জন আৰু মহকুমা পৰিষদৰ কৰ্মী আছে ৭৫০ জন। এই কৰ্মচাৰী খিনিক চৰকাৰে চৰকাৰীকৰণ কৰি আমাৰ গাওঁৰ উন্নয়নৰ যি পথ সেইটো সুগম কৰিব নেকি?

শ্ৰীউপেন দাস (মন্ত্ৰী)—উত্তৰ দিয়া হৈছে। এইটো এটা লোকেল অনা-চৰকাৰী অনুষ্ঠান। এইবিলাক চৰকাৰী কৰণ কৰাত অলপ অসুবিধা আছে। তথাপি কিবা কৰিব পাৰি নেকি চোৱা হব।

বিঃ ৰাজনৈতিক পেন্সন

শ্ৰীমথুৰা ডেকাই সুধিছেঃ

*১২৮। মাননীয় মুক্তি যুজাৰু বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বৰ্ত্তমান অসমৰ ৰাজনৈতিক পেন্সন পোৱা লোক সকলৰ কাৰণে প্ৰতি মাহত কেন্দ্ৰীয় চৰকাৰে কিমান টকা আৰু ৰাজ্য চৰকাৰে কিমান টকাৰ যোগান ধৰিব লাগে?

(খ) কোনো কোনো এনে পেনসনধাৰীৰ মৃত্যু ঘটিলে উত্তৰাধীকাৰী হিচাবে অন্যলোকে উক্ত পেনসন পোৱাৰ ব্যৱস্থা আছে নেকি?

(গ) যদি আছে, তেন্তে অসমৰ কিমান এনে উত্তৰাধিকাৰীৰ আবেদন এতিয়াও কাৰ্য্যকৰী নোহোৱাকৈ আছে?

(ঘ) চৰকাৰী বিধি ব্যৱস্থা মতে এনে উত্তৰাধিকাৰীৰ নামত উক্ত

ৰাজনৈতিক পেনসন পোৱাৰ যোগ্যতা অনুযায়ী চৰকাৰে প্ৰয়োজনীয় মঞ্জুৰী বা অনুমোদন দিয়াৰ পাচতো কিমান তেনে উত্তৰাধিকাৰীয়ে এতিয়াও পেনসন পোৱাৰ যোগ্যতা অনুযায়ী চৰকাৰে প্ৰয়োজনীয় মঞ্জুৰী বা অনুমোদন দিয়াৰ পাচতো কিমান তেনে উত্তৰাধিকাৰীয়ে এতিয়াও পেন্সন পাবলৈ বাকী আছে? (জিলা আৰু মহকুমা অনুযায়ী এখন তালিকা সদনৰ মেজত ৰাখিব)।

শ্ৰীতিলক গগৈ (মুক্তি যুঁজাৰু বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১২৮। (ক)—কেন্দ্ৰীয় চৰকাৰে টকা ৬,৯৭৪১১.২০ পইচা আৰু ৰাজ্য চৰকাৰে টকা ৩৪৩২৭৫.০০ ।

(খ)—ৰাজ্যিক পেন্সনভোগী মুক্তি যুঁজাৰুৰ মৃত্যু হলে তেওঁৰ বিধবা পত্নীয়ে উত্তৰাধিকাৰী হিচাবে মৃত স্বামীয়ে ভোগ কৰা ৰাজ্যিক মুক্তি যুঁজাৰু পেন্সন পোৱাৰ নিয়ম আছে ।

(গ)—চৰকাৰৰ ওচৰত বৰ্ত্তমান এনে কোনো আবেদন কাৰ্য্যকৰী নোহোৱাকৈ থকা নাই । পলমকৈ পোৱা কিছু সংখ্যক আবেদন সক্ৰিয় ভাৱে বিবেচনা কৰি থকা হৈছে ।

(ঘ)—চৰকাৰৰ ওচৰত ইয়াৰ কোনো বিৱৰণ নাই ।

শ্ৰীমথুৰা ডেকা অধ্যক্ষ মহোদয়, চৰকাৰে সদায়ে বিবেচনা কৰে । এই বিবেচনাটো অলপ সোনকালে হয় নে নহয় সেইটো জনাব নেকি ?

শ্ৰীতিলক গগৈ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, মাননীয় সদস্য ডেকা ডাঙৰীয়াই যিটো প্ৰশ্ন কৰিছে সেই কথাটো অলপ বহলাই কোৱাই ভাল হব । যদি কোনো মুক্তি যুঁজাৰু পেন্সনাৰৰ মৃত্যু হয় তেতিয়া তেওঁলোকৰ বিধৱা পত্নীয়ে আবেদন কৰিব লাগে যে তেওঁৰ স্বামীৰ মৃত্যু হৈছে, আৰু লগতে এটা কথা থাকিব লাগে যে তেওঁৱেই একমাত্ৰ পত্নী । এইকেইটা কথা দি অফিছলৈ আবেদন কৰিব লাগে । তেতিয়া সেই বিলাক বোৰ্ডত দিয়া হয় আৰু পিছত এ, জিলৈ লিখা হয় । এইদৰে প্ৰচেচ কৰোতে কেতিয়াবা কৰবাত অলপ দেৰী হব পাৰে ।সেয়ে মানুহ মৰাৰ লগে লগে যদি পত্নীয়ে সকলোবিলাক তথ্য সহ সোনকালে লিখি আমালৈ পঠিয়াই তেতিয়া সোনকালে হয় নহলে দেৰী হয়।

Shri Binay Kumar Basumatary: Sir, we are now independent for over 37 years . How long more it will take

to complete the rooster for the political pensioners ?

শ্ৰীতিলক গগৈ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, এইটো অৱশ্যে ১৯৭২ চনৰ পৰা হৈছিল। আৰু এবছৰৰ পিচত যিবিলাক দৰখাস্ত বাঢ়িল। ১৯৭২ চনৰ চৰকাৰে যিবিলাক দৰখাস্ত পাইছিল সেই বিলাক চৰকাৰী লেভেলতে দিয়া ব্যৱস্থা কৰিছিল ।দৰখাস্ত বিলাক বৰ্ডত দিছিল আৰু বোৰ্ডে যি ৰুলছ আছে সেই মতে দিয়াৰ ব্যৱস্থা কৰিছিল। পিচত আকৌ যেতিয়া ৰিভাইজড্ স্কীম কৰিলে তেতিয়া আৰু দৰখাস্তৰ সংখ্যা বাঢ়িল। অসমতে তকল ১০-১৫ হাজাৰ মান হব। পিচত এই বিলাক ভাৰত চৰকাৰলৈ পঠাই দিয়া হল আৰু তাত মোটা মোটি এটা ৰিভিউ কৰি সিবিলাকে হয়তো ৬ মাহ মান জেল খাটিছিল আৰু তেনে শাস্তি আদি পাইছিল তেওঁলোকক পেন্সন আদি দিয়াৰ ব্যৱস্থা কৰিলে আৰু যি বিছুমানক অসম চৰকাৰ লেভেলৰ পৰাও দিয়া হল। যি বিলাক মানুহ এই দুয়োটা লেভেলত নপৰিল সেই বিলাকক চৰকাৰে এতিয়া অন্য ধৰণে সুবিধা দিয়াৰ ব্যৱস্থা কৰিছে। এই বিলাক হোৱা আজি ১৪ বছৰ হল। এতিয়া এই চৰকাৰ অহাৰ পিচত আজি এবছৰে যি বিলাক পাই আহিছে মানুহৰ আবেদন নিবেদন সেই বিলাকো এফালৰ পৰা শেষ কৰি অনাৰ চেষ্টা কৰিছে। এতিয়া এখন চাব কমিটী পাতি দিয়া হৈছে, এই কমিটীয়ে সকলো দৰখাস্তৰ এভিডেন্স আদি বিভিউ কৰি সিদ্ধান্ত লয় আৰু সেই মতে তেওঁলোকক পেন্সন দিয়াৰ ব্যৱস্থা কৰা হয়। এতিয়ালৈকে আমি গুৱাহাটী মঙ্গলদৈ, নলবাৰী, বৰপেটা, ধুবুৰী, কোকৰাঝাৰ, লক্ষীমপুৰ, ধেমাজী, তেজপুৰ ডিব্ৰুগড় আৰু তিনিচুকীয়া এই অংশৰ কাম প্ৰায় শেষ কৰিছোঁ। আকৌ আৰু এটা কমিটী অলপতে শিৱসাগৰ, গোলাঘাট আদি ঠাইলৈ যাব। এই সকলো বিলাক ঠাইতে যিসকলে পেনচ্ন পাই কেন্দ্ৰীয় চৰকাৰৰ পৰাই হওক বা অসম চৰকাৰৰ পৰাই হওক আৰু যিসকল এইদুয়োটা সুবিধাৰ পৰা বঞ্চিত হল তেওঁলোকক অন্ততঃ বুঢ়া বয়সৰ পেনচ্ন দিয়াৰ ব্যৱস্থা হব।

Sri Binay Kumar Basumatary Sir, when the Government expect to complete that ? And once it is completed will it be closed for ever or it will be reopend again ?

শ্ৰীতিলক গগৈ (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, যিবিলাক মানুহে আবেদন

কৰিছে সেই সকলোকে যাতে কোনো অন্যায় কৰা নহয় তাৰ কাৰণে আমি ব্যৱস্থা কৰিছো ।

শ্ৰীমথুৰা ডেকা—মাননীয় অধ্যক্ষ মহোদয়, মুক্তি যুঁজাৰু সকলৰ এখন বুৰঞ্জী প্ৰণয়ণ কৰিবৰ কাৰণে এখন কমিটী গঠন কৰাৰ কথা আছিল ।সেই কমিটীত কোন কোন সদস্য আছে সেইটো আমাক জনাবনে ?

শ্ৰীতিলক গগৈ (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা বেলেগ প্ৰশ্ন।

Startep question No 159 was not put numder being absent

বিঃ গাওঁ পঞ্চায়তৰ কৰ্ম্মচাৰীৰ দৰমহা

শ্ৰীমথুৰা ডেকাই সুধিছে ঃ

১৩০। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গাওঁ পঞ্চায়তৰ কৰ্ম্মচাৰী সকলে কিমান মাহৰ পৰা দৰমহা পোৱা নাই জানেনে ?

(খ) বাকী পৰি থকা দৰমহা দিয়াৰ কোনো ব্যৱস্থা কৰিছে নেকি ?

(গ) গাওঁ পঞ্চায়তৰ কৰ্ম্মচাৰী সকলে দৰমহা নোপোৱাৰ বাবদ ধৰ্ম্মঘট কৰা বিষয়ে চৰকাৰে জানেনে ?

শ্ৰীউপেন্দ্ৰ দাস (পঞ্চায়ত বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৩০ ।(ক)—বৰ্ত্তমানলৈকে থকা ৭১৪ খন গাওঁ পঞ্চায়তৰ ভিতৰত মাথোন ৯১ খনেহে নিয়মীয়াকৈ দৰমহা দিব পাৰিছে । বাকী ৬২৩ খন গাওঁ পঞ্চায়ত আৰ্থিক দিশত অতিশয় দুৰ্ব্বল, গতিকে নিয়মীয়াকৈ দৰমহা দিব পৰা নাই। চৰকাৰে জনা মতে গাওঁ পঞ্চায়ত ভেদে ১ মাহৰ পৰা ৩০ মাহলৈকে দৰমহা বাকী পৰি আছে ।

(খ)—ব্যৱস্থা কৰি থকা হৈছে । ১৯৮১ চনৰ বৰ্ধিত জনসংখ্যাৰ ভিত্তিত ১৯৮১, ১৯৮২ আৰু ১৯৮৩ চনৰ বকেয়া ৰাজহৰ আৰু স্থানীয় কৰৰ অংশ বৰ্ধিত হাৰত গাওঁ পঞ্চায়ত সমূহে পাব । এতিয়া বিত্তীয় বিভাগৰ অনুমোদনৰ কাৰণে অপেক্ষা কৰা হৈছে । ইয়াৰ উপৰিও ১৯৮৪-৮৫ বিত্তীয় বছৰত পঞ্চায়ত অনুষ্ঠান সমূহক দিব খোজা বিত্তীয় সাহাৰ্য্যৰ পৰিমাণ বৃদ্ধি কৰা হৈছে ।

(গ)—হয়, চৰকাৰে জানে । চৰকাৰৰ সহানুভূতিৰ আশ্বাসত ধৰ্ম্মঘট উঠাই লৈছে ।

শ্ৰীমথুৰা ডেকা—মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে কি আশ্বাস দিছিল জনাবনে ?

শ্ৰীউপেন দাস (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, এইটোকে আশ্বাস দিয়া হৈছিল যে, বাকী পৰি থকা সকলো খিনি টকা তেখেত সকলে পাব । ১৯৮১ চনৰ বৰ্ধিত জনসংখ্যাৰ ভিত্তিত ১৯৮১, ১৯৮২ আৰু ১৯৮৩ চনৰ বাবেয়া বাজহৰ আৰু স্থানীয় কৰৰ অংশ বৰ্ধিত হাৰত গাওঁ পঞ্চায়ত সমূহক দি দিয়া হব বুলি সিদ্ধান্ত কৰা হৈছে । মাত্ৰ কথা হৈছে এতিয়া বিত্তীয় বিভাগৰ অনুমোদনৰ কাৰণে অপেক্ষা কৰি থকা হৈছে । চৰকাৰে দিয়া অশ্বাসৰ পৰিপ্ৰেক্ষিততেই তেওঁলোকে ধৰ্মঘট উঠাই লয় ।

শ্ৰীমথুৰা ডেকা—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে, বিত্তবিভাগৰ অনুমোদম পালেই কৰা হব বুলি কৈছে । মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে যে, বিত্ত বিভাগৰ লগত এই বিষয়ে যোগাযোগ কৰা হৈছেনে ?

শ্ৰীউপেন দাস (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, হয় পূৰামাত্ৰাই বিত্ত বিভাগৰ লগত যোগাযোগ কৰি থকা হৈছে ।

শ্ৰীতাৰিণী মোহন বৰুৱা—মাননীয় অধ্যক্ষ মহোদয়, গাৱেঁ ভূৱেঁ থকা সৰু সৰু খাল ডোং আদি যত গাওঁ পঞ্চায়ত বিলাকে মাছ মাৰি তাৰ পৰা পোৱা টকাৰে গাওঁ পঞ্চায়ত বিলাকৰ আৰু স্কুল কলেজ আদিৰ কিছু খৰচ মিতাই আছিল, সেই সৰু সৰু খাল দোং বিলাককো আজি কিছুদিনৰ পৰা আমাৰ চৰকাৰে লৈ আহি সেইবিলাক এতিয়া পট্টন দিবলৈ ধৰিছে । ফলত এই পঞ্চায়ত সমূহৰ আয় কমি গৈছে সেইটো মাননীয় মন্ত্ৰী মহোদয়ৰ দ্বাৰা জনোৱা হবনে ?

শ্ৰীউপেন দাস (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, ৰেজিষ্ট্ৰাৰ কৰা ফিচাৰি বিলাকৰ ক্ষেত্ৰতহে চৰকাৰৰ হাত আছে আৰু সেইবিলাকক পট্টন দিব পাৰে ।

শ্ৰীতাৰিণী মোহন বৰুৱা—মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰে তিনি খন সৰু বিলৰ ক্ষেত্ৰত যাৰ পৰা হোৱা আয়ৰ ধনেৰে ডিমৰীয়ল কলেজ খন চলি আছিল সেই বিল তিনি খন বিল এইদৰে দিয়াৰ কাৰণে কলেজ খনৰ আয় বন্ধ হৈ গৈছে । এই বিষয়ে আমাৰ মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা লবনে ?

শ্ৰীউপেন দাস (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, হয়তো কৰবাত চৰকাৰৰ অজ্ঞাতে তেনেকুৱা হব পাৰে । সেইটো আমি অনুসন্ধান কৰি ব্যৱস্থা লবলগীয়া হলে নিশ্চয় লোৱা হব ।

শ্ৰীহৰেন্দ্ৰনাথ তালুকদাৰ—মাননীয় অধ্যক্ষ মহোদয়, নিয়ম আছে নেকি ? আমি জনাত ১০ হেজাৰ তলৰ একোখন বিল গাওঁ পঞ্চায়তেই ডাক দিব পাৰে কিন্তু তাৰ বেছি হলে, চৰকাৰেহে পট্টন দিব লাগিব । কিন্তু মই এই কথাটোহে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে যে, ১০ হেজাৰৰ তলৰ বিলো চৰকাৰেই পট্টন দিছে ?

শ্ৰীউপেন দাস (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, এখন ফিচাৰি চেটেলমেণ্ট দিবলগীয়া হলে তাৰ কাৰণে ৰিপৰ্ট কল কৰি, চাৰি সীমা আদি ভালদৰে পৰীক্ষা কৰি আৰু যাৱতীয় কথা বিলাক চাই চিতিহে চেটেলমেণ্ট দিয়া হয় । যিবিলাক ৰেজিষ্ট্ৰাৰ হোৱা নাই সেই বিলাক ৰেভিনিউ বিভাগৰ হাতত্হে । ৰেজিষ্ট্ৰাৰ হোৱা বিলাক মিন বিভাগৰ হাতলৈ আহে । কৰবাত যদি কিবা আসোঁৱাহ আদি হৈছে সেইটো চাই আমি ব্যৱস্থা লব পাৰিম ।

শ্ৰীঅলিট বড়ো—মাননীয় অধ্যক্ষ মহোদয়, কিছুমান গাওঁ পঞ্চায়তত এতিয়ালৈকে সদস্য বোধকৰো নাই । কিন্তু সভাপতি আছে । কাউন্সিলৰো নাই । ইয়াৰ কাৰণ কি ?

শ্ৰীউপেন দাস(মন্ত্ৰী -মাননীয় অধ্যক্ষ মহোদয়, এইটো বেলেগ প্ৰশ্ন ।

শ্ৰীবৰ্গৰাম দেউৰী —মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়ত আইনৰ ব্যৱস্থা মতে ৫ হেজাৰৰ তলৰ ফিচাৰি বিলাক গাওঁ পঞ্চায়তৰ স্বাৱলম্বীতাৰ কাৰণে দিব পাৰে । কিন্তু মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এইটোহে জানিব খোজো যে, গাওঁ পঞ্চায়ত বিলাকৰ অৰ্থনৈতিক স্বাৱলম্বীতাৰ কাৰণে এতিয়ালৈকে কিমান পাছ হেজাৰৰ তলৰ ফিছাৰি পঞ্চায়ত সমূহক দিয়া হৈছে ?

শ্ৰীউপেন দাস (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, এইটো হিচাব মোৰ হাতত নাই ।

শ্ৰীপ্ৰসাদ দলৈ—মাননীয় অধ্যক্ষ মহোদয়, কিছুমান স্বাৰ্থান্বেষী মানুহে নিজৰ স্বাৰ্থৰ কাৰণে গাওঁৰ বাইজে সদায় মাছ মাৰি খাই থকা ৮। ১০ মাইলৰ আতৰৰ ফিচাৰিকো দেখুৱাই ৰেজিষ্ট্ৰেশ্বন কৰি পট্টন দিয়া কথাটো সচানে ?

Shri Benoy Kumar Basumatari— Sir, on a Point of

order. I think we have deviated from the main question and we have started dealing with fisheries now, Sir :

শ্ৰীউপেন দাস (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, সেইটো কৰাৰ কথা নহয়। ৰেভিনিউ বিভাগৰ পৰা সকলো ৰিপৰ্ট আনিহে ৰেজিষ্ট্ৰেশ্বন কৰা হয়।

বিঃ একচনীয়া পট্টাৰ মাটি

শ্ৰীজয় চন্দ্ৰ বড়াই সুধিছেঃ

১৩১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ৰাজাখনৰ একচনীয়া পট্টাৰ মাটি ম্যাদী কৰাৰ বাবে চৰকাৰৰ নিৰ্দ্দেশ আছেনে ?

(খ) যিবিলাক মাটিৰ চৰকাৰে দিয়া বন্দবস্তী ৰচিদ (Possession certificate) আছে সেই বিলাকো ম্যাদীকৰাৰ নিৰ্দ্দেশ আছে নেকি ?

(গ) বন্দবস্তী ৰচিদ থকা বিলাক কোনো জৰীপ (survey) নকৰাকৈ ৰচিদৰ মতেই ম্যাদী কৰা হবনে ?

(ঘ) যদি কৰে, এই কাম কেতিয়া সম্পূৰ্ণ কৰিব ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (ৰাজহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৩১। (ক)—আছে।

(খ) আছে। চিলিং আইনৰ ১৬ ধাৰা মতে কৃষক ৰায়তৰ দখলত থকা চিলিং অধিগৃহীত মাটি ম্যাদি পট্টা দিবলৈ চৰকাৰৰ নিৰ্দ্দেশ আছে।

(গ)—কৃষক ৰায়তৰ প্ৰকৃত দখলত থকা আৰু মুঠ মাটি সৰ্ব্বোচ্চ সীমা ৫০ বিঘাৰ তলত, তেনে মাটিও ম্যাদি কৰণৰ বাবে নিৰ্দ্দেশ আছে, সেইমতে উপায়ুক্ত/ মহকুমাধিপতি সকলে যাবতীয় নথি পৰীক্ষা আৰু তদন্তক্ৰমে মাটিৰ ম্যাদি পট্টা দিব।

(ঘ)—এই কাম তৎকালে শেষ কৰাৰ নিৰ্দ্দেশ দিয়া আছে।

শ্ৰীজয় চন্দ্ৰ বড়া :—মাননীয় অধ্যক্ষ মহোদয়, নিৰ্দ্দেশ দিয়া আছে বুলি কৈছে।এতিয়ালৈকে কিমান একচনা মাটি ম্যাদি কৰা হল ? চিলিং চাৰ পাচৰ মাটি ম্যাদি কৰাৰ কথা আছে। ফৰেষ্ট ৰিজাৰ্ভৰ সেইবিলাক মাটি ম্যাদি কৰাৰ ব্যৱস্থা আছে নেকি ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, এই সম্পৰ্কে আজিও কৈছো। যিবিলাক একচনা পট্টা আছে সেইবিলাক ম্যাদি কৰাৰ কাৰণে নিৰ্দ্দেশ দিছো।

চিলিংৰ মাটিও ম্যাদি দি পট্টা দিয়াৰ ব্যৱস্থা লৈ আছে সোনকালে সেই নির্দ্দেশ দিয়া হৈছে । মাননীয় সদস্য গৰাকীয়ে যি ফৰেষ্টৰ কথা কৈছে সেইবিলাক যদি ৰেভিনিউলৈ আছে তেতিয়া দিয়া হব ।

শ্রীজয় চন্দ্র বড়া :—মাননীয় অধ্যক্ষ মহোদয়, ফৰেষ্ট ৰিজাৰ্ভৰ মাটিত বহুত দিন ধৰি ঘৰবাৰী কৰি বহি আছে । তেওঁলোকক চেটেলমেণ্ট চাৰ্টিফিকেট আদিও দিয়া হৈছে । তেওঁলোকক ম্যাদি পট্টা দিয়া হবনে ?

মাননীয় অধ্যক্ষ :—ফৰেষ্টৰ পৰা যদি ৰেভিনিউলৈ আহে তেতিয়া ৰাজহ বিভাগৰ নিয়ম মতে কৰিব ।

শ্রীমথুৰা ডেকা—উক্ত চেনীকলৰ মেচিনটো কেতিয়া প্রতিষ্ঠা হৈছিল জনাব নেকি ?

শ্রীতিলক গগৈ (মন্ত্রী)—অধ্যক্ষ মহোদয়, মেচিনটো এতিয়া প্রতিষ্ঠা হোৱাৰ কাম আৰম্ভ হৈছে ।

শ্রীমথুৰা ডেকা—মেচিনটো প্রতিষ্ঠা নহোৱাকৈ কৰ্ম্মচাৰী নিয়োগ কৰা হল নেকি ?

শ্রীতিলক গগৈ (মন্ত্রী)—অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে তাৰ কনষ্ট্ৰাকচন আৰু মেকানিকেলৰ কাম চলি আছে । অৱশ্যে তাত ষ্টাফ বেছি হৈছে বুলি অভিযোগ উঠিছে কিন্তু মই তাৰ ব্যৱস্থা লম বুলি কৈছো ।

শ্রীমথুৰা ডেকা—চেনীকল প্রতিষ্ঠা হোৱাৰ লগে লগেই এপইণ্টমেণ্ট দিয়া হল নেকি ?

শ্রীতিলক গগৈ (মন্ত্রী)—হিচাব নিকাচ ৰাখিবৰ কাৰণে কিছুমান মানুহক এপইণ্টমেণ্ট দিবই লাগিব । অৱশেষত যেতিয়া চুগাৰ মিল ভালদৰে পৰিচালনা হব তেতিয়া এডযাষ্ট কৰা হব ।

শ্রীমথুৰা ডেকা—ৰেজিষ্টাৰ হোৱাৰ পাচত এপইণ্টমেণ্ট দিলে নে ৰেজিষ্টাৰ নোহোৱাৰ পাচত এপইমেণ্ট দিলে ?

শ্রীতিলক গগৈ (মন্ত্রী)—ৰেজিষ্টাৰ নোহোৱাকৈ এপইণ্টমেণ্ট দিয়াৰ প্রশ্নই নুঠে ।

### Re : Nowgong Co-operative Sugar Mill.

Shri Kiran Bora asked :

*133. will the Minister, Co-operation be pleased to state—

(a) Whether Government is aware that some excess staff has been entertained in the Nowgong Co-operative Sugar Mill at Kampur before commissioning the same and without proper assessment of manpower ?

(b) If so, what categories of posts were filled up in excess and thief salaries thereof ?

(c) Whether Government is aware that this excess staff will create serious financial problems to the above Sugar Mill as in the case of Silghat Co-operative Jute Mills ?

Shri Tilok Gogoi (Minister Co-operation) replied :

133. (a)—Government have not received any such information .

(b) & (c)—Do not arise.

শ্ৰীকিৰণ বড়া—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এইটো জনাবনে যে নগাওঁৰ কামপুৰৰ চেনীকলত ওপৰঞ্চি ষ্টাফ দিয়া হৈছে নে নাই ?

শ্ৰীতিলক চন্দ্ৰ গগৈ(মন্ত্ৰী)—অধ্যক্ষ মহোদয়, নগাওঁ কামপুৰ চেনীকলত আমাৰ ওচৰত যিখিনি ইনফৰমেশ্বন আছে তাৰ ভিতৰত ৫০ জন এমপ্লই আছে। এই কামত যিমান মানুহে কৰিছে কিছুমানৰ অভিযোগ হৈছে । যিবিলাকৰ অভিযোগ আছে মেনিজিং ডাইৰেক্টৰলৈ লিখা হৈছিল । সেই ইনফৰমেশ্বন এতিয়ালৈ আহি পোৱা নাই ।

শ্ৰীকিৰণ বড়া—মাননীয় অধ্যক্ষ মহোদয়, সেইবিলাক চেঙচন পোষ্ট দিয়া হৈছিল নেকি ?

শ্ৰীতিলক চন্দ্ৰ গগৈ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, চেঙচন পোষ্ট বুলি মিলত এতিয়া কথাটো উঠা নাই । তাত ৫৮ জন এমপ্লই আছে নেকি এই কথাত অভিযোগ আছে । এই কথা বিলাক মেনেজিং ডাইৰেক্টৰক সুধিছে । সেই মতে দিয়া হব ।

শ্ৰীকিৰণ বড়া—মাননীয় অধ্যক্ষ মহোদয়, যদি এই বিলাক কথা সচা হয়, তেন্তে সেই মিলত এনকুইৰাৰী দিব নেকি এমপ্লয়মেণ্ট অফ ষ্টাফ, কনষ্ট্ৰাকচন অফ বিলডিং আৰু পাৰছেজ অফ মেচিনাৰীৰ ওপৰত ।

শ্ৰীতিলক গগৈ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, এইটো এনকুইৰাৰী কৰি সদনক মই জনাম ।

Mr. Speaker— (When Shri Mathura Deka rose and sqoke something) Do not cut like this, do not speak like this. I do not like to hear all this. Whatever I am doing it is according to rules. Yes Mr. Choudhury ?

মৌলানা আব্দুল জলিল চৌধুরী—অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়- জনাবনে কি যে কোনও প্রতিষ্ঠান আরম্ভ হওয়ার আগে কতজন মজদুর বা অফিসিয়েল ষ্টাফ লাগবে তাৰ কোনও স্কীম তৈরী হয় কি না ? এই সুগার মিলে বা অন্যান্য মিলে না পরিকল্পনার অতিরিক্ত এক চতুর্থাংশ বা এক দশমাংশ কর্মচারী বেশী লাগতে পারে । কিন্তু যে ভাবে পরিকল্পনা বিহীন ভাবে আন্‌লিমিটেড্ কর্মচারী নিয়োগ করা হচ্ছে এতে প্রতিষ্ঠানের নিরাপত্তা থাকবে কি ? এই সুগার মিলে কতজন স্থায়ী বা অস্থায়ী ভাবে স্কীম অনুযায়ী কর্মচারী নিয়োগ করা হয়েছিল এবং কতজন বেড়েছে তার মন্ত্রী মহোদয় দিতে পারবেন কি ?

শ্ৰীতিলক গগৈ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, কামপুৰ চুগাৰ মিলৰ ৰিপোৰ্ট হলে যিখিনি তথ্যৰ প্ৰয়োজন সেইটো কৰিব । এই কথাবিলাক আছে । মাননীয় সদস্য ডাঙৰীয়াই যি বিছাৰিছে সেই হিচাবে এতিয়ালৈ আমাৰ চুগাৰ মিলত হৈ উঠা নাই আৰু হৈ নুঠিব । তাত স্টাফ বাঢ়িছে ৫৮ জন । ১৯৮৩ চনলৈকে কেনে ধৰণে ডিপাৰ্টমেণ্টত হব সেই পৰ্য্যায়লৈ ৰিপোৰ্ট আছে । এতিয়ালৈকে মূল কাম বিলাক কৰি আছে । স্টাফ সম্পৰ্কেও অভিযোগ আছে । এই গোটেই বিলাক এনকুইৱাৰী কৰি মই সদনক জনাম ।

Re : No. 2, No. 3 Derapathar.

Shri Debesh chakrabarty asked :

134. Will the chief Minister, be Pleased to state—

(a) Is it a fact that No. 1, No. 2, No. 3 Derapathar under Kaki Mouza is within the jurisdiction of Lumding p.s. ?

(b) If so, the distance between Lumding p.s. and Derapathar ?

(c) Whether motorable road communication exists between Lumding and Derapathar P.S. ?

(d) If not, whether Government proposes to establish a police out post at Derapathar ?

Shri Hiteswar Saikia (Chief Minister) replied :

134. (a) - Yes.

(b) - The distance between Lumding P. S. and Derapathar via Lanka is about 66 K. M.

(c)—Jeepable road communication is available to No.2 and 3 Derapathar .

(d)—There is no such proposal.

Shri Debesh Chakrabarty—Sir, discussion was held on the subject earlier . So there is no supplementary from me . But I Would request the Chief Minister as the distance between...............

Mr. Speaker—No. I do not want any inference or reference . You can only ask supplementary questions .

Shri Debesh Chakrabarty—All right Sir, I will ask supplementary . The distance between Lumding police station and Derapathar being 66 K.m. is it possible for the Lumding police station to administer Derapathar which is located at a distance of 66 K.M. ?

Shri Hiteswar Saikia (Chief Minister) - Sir, distance is not the only factor . There are some other factors also to be considered for taking up police station stations.

Shri Debesh Chakravarty—Is it crime, Sir, to consider for taking up police thana ?

Shri Hiteswar Saikia (Chief Minister)—Sir, there are some others like population, security, complex of the population, etc., like that .

Mr. Speaker—St. Question No. 135, Shri Hemen Das, absent but authorised.

Re : Qualification for Principal of Regional College of

Nursing

Shri Hemen Das asked :

*135. Will the Minister, Health be pleased to state —

(a) The required qualification for the post of the Principal, of the Regional College of Nursing ?

(b) The qualification of the present Principal of the College ?

Dr. Bhumidhar Barman (Minister, Health) replied :

135. (a)—The qualifications for the Regional College of Nursing, Guwahati are "Master's Degree in Nursing (High 2nd Class). Preference to be given to 10 years experience of which 8 years should be of teaching University Nursing students, including 5 years in administrative capacity of teaching service department. If such a candidate is not available, the experience shall be of 5 years in Nursing and Administration."

(b)— The qualifications of the present Principal of Regional College of Nursing, Guwahati are—

I. B. Sc. (Hons.) degree in Nursing from Rajkumari Amrit Kumar College of Nursing, New Delhi under Delhi University.

2. M.A. in Nursing from Columbia University, U S.A. with Nursing service Administration and Nursing Education.

3. Study tour and observation visit under W.H.O. Fellowship for 6(six) months in United Kingdom, Sweden and Canada.

শ্ৰীমথুৰা ডেকা—নাৰ্চিং কলেজৰ অধ্যক্ষৰ কাৰণে অসম লোক সেৱা আয়োগৰ পৰা বিজ্ঞাপন দিয়া হৈছিল নে নাই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাবিছো।

শ্ৰীভূমিধৰ বৰ্ম্মণ,(স্বাস্থ্যমন্ত্ৰী)— হয় চাৰ, কৰিবলৈ দিয়া হৈছিল।

শ্ৰীমথুৰা ডেকা—যদি দিয়া হৈছিল লোক সেৱা আয়োগৰ পৰা নিদি অসম চৰকাৰে কিয় আৰু কেনেকৈ নিযুক্তি দিলে জনাবনে ?

শ্ৰীভূমিধৰ বৰ্ম্মণ (স্বাস্থ্যমন্ত্ৰী)—ৰেগুলেশ্বন প্ৰি-এক্সত দিয়া হৈছে । লোক সেৱা আয়োগে বিজ্ঞাপন দিছে গতিকে এতিয়া তেখেতক দিলেও দিব আৰু নিদিলেও আন কাৰোবাক দিব পাৰিব ।

শ্ৰীমথুৰা ডেকা—আমাৰ ইয়াত এম-এচ-চি নাৰ্চিং নাই নেকি ?

শ্ৰীভূমিধৰ বৰ্ম্মণ,(স্বাস্থ্যমন্ত্ৰী)—নাই কাৰণেই এন-ইচিৰ ৰিকমেণ্ডেশ্বন মতে আৰু ইণ্ডিয়ান মেডিকেল কাউন্সিলৰ মতে দিয়া হৈছে । তাৰ বাহিৰে উপায় নাছিল ।

শ্ৰীমথুৰা ডেকা—এতিয়া যদি মানুহ দিয়া হয় ?

শ্ৰীভূমিধৰ বৰ্ম্মণ, (স্বাস্থ্যমন্ত্ৰী) —নাই কাৰণেই আমি তেনেকুৱা কৰিছো । বিজ্ঞাপন দিয়া হৈছে পোৱা হয়নে সন্দেহ ।

### বিঃ জলেশ্বৰ ধুবুৰী ঘাট

শ্ৰীমহম্মদ আলীয়ে সুধিছেঃ

*১৩৬। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গোৱালপাৰা মহকুমা পৰিষদৰ অন্তৰ্গত জলেশ্বৰ ধুবুৰী ঘাটটো মহকুমা পৰিষদে আব্দুল মালিকক ১৫,০০০·০০ টকাত পট্টন দিছিল নেকি ?

(খ) যদি দিছিল, এই পট্টনৰ বিৰুদ্ধে প্ৰথম নিবিদাতা এ, কে, পাণ্ডেই আপীল কৰাটো সচানে ?

(গ) যদি সঁচা এই আপীলৰ ওপৰত অসম চৰকাৰে এই ঘাটটো এ, কে, পাণ্ডেক ৩১,৫২৫·০০ টকাত পট্টন দিয়াটো সত্য নেকি ?

(ঘ) যদি সত্য, গোৱালপাৰা মহকুমা পৰিষদে চৰকাৰৰ আদেশৰ বিপৰীতে আৰ, জি, সাহাক ১০,২৮৫ টকাত পট্টন দিয়া কথাটো সঁচা নেকি ?

শ্ৰীউপেন্দ্ৰ দাস (পঞ্চায়ত বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

১৩৬। (ক)—হয় ।

১৫,৫০১·৩০ টকাত পট্টন দিছিল ।

(খ)—হয়, কিন্তু শ্ৰীএ, কে, পাণ্ডে প্ৰথম নিবিদাতা নহয় ।

(গ)—হয়, সঁচা ।

(ঘ)—শ্ৰীপাণ্ডেই সময়মতে কিস্তিৰ টকা মহকুমা পৰিষদত জমা দিব নোৱাৰাৰ কাৰণে পৰিষদে ঘাটটো শ্ৰীসাহাক ১০,২৮৫·০০ টকাত পট্টন দিয়ে ।

শ্ৰীমহম্মদ আলী—অধ্যক্ষ মহোদয়, উচ্চ বা উচ্চতম নিবিদা দিওতাজনে কিস্তি জমা নিদিলে নিম্নতম নিবিদা দিওতা জনক মাটি পট্টন দিয়াৰ ব্যৱস্থা পঞ্চায়তী-ৰাজ আইনত আছে নেকি ?

শ্ৰীউপেন দাস(মন্ত্ৰী) —অধ্যক্ষ মহোদয়, যেতিয়া কোনো এটা পৰিষদৰ কাৰ্য্যকৰী কমিটী বহে তেতিয়াই তেওঁলোকে তাত সিদ্ধান্ত কৰে কাক দিব লাগে । উপযুক্ত, অনুপযুক্ত সেইবিলাক বিবেচনা কৰি তেওঁলোকে নিম্নতম হওক বা উচ্চতমেই হওক দিব পাৰে । কিন্তু আইনত বিচাৰ বিবেচনা কৰিহে পট্টণ দিয়াৰ নিয়ম আছে ।

শ্ৰীমহম্মদ আলী—অধ্যক্ষ মহোদয়, ফাইনেনচেলি যাতে লোকচান নহয় তাৰ ব্যৱস্থা পঞ্চায়তী ৰাজ আইনত আছে নেকি ?

শ্ৰীউপেন দাস (মন্ত্ৰী)—তেনেকুৱা আপত্তি আহিলে তাৰ ব্যৱস্থা কৰা যায় ।

শ্ৰীৰুক্মিণী ৰায়—অধ্যক্ষ মহোদয়, আগতে যাক দিয়া হৈছিল সেইজনক বাদ দি দ্বিতীয় জনক লোকচান কৰি কিয় দিলে ?

শ্ৰীউপেন দাস (মন্ত্ৰী)—আব্দুল মালিকক ১৫,৫০১·৩০ টকাত পট্টন দিছিল । পিচত এ, কে পাণ্ডেৰ নিবিদা ৩১,৫২৫·০০ টকা মতে তেওঁক পট্টন দিয়া কথাটো সঁচা ।

Mr Speaker—No, no, you cannot force it. When the Hon. Minister has stated to infrom you, you cannot compel him because it is a supplementary question.

শ্ৰীমহম্মদ আলী—অধ্যক্ষ মহোদয়, যেতিয়া ৩১,৫২৫·০০ নিবিদা দিওতা জনে চেটেলমেণ্ট বা পট্টন পোৱাৰ পিচত গ্ৰহণ নকৰিলে তেতিয়া আগৰ যিজন ১৫,৫০১·৩০ টকা নিবিদা দিয়া লোক আছিল আৰু আগতে যিহেতু তেওঁক দিয়া হৈছিল সেই হেতুকে তেওঁক সুধি চাব লাগিছিল । তেওঁক কিয় পট্টন দিয়া নহল ?

শ্ৰীউপেন দাস (মন্ত্ৰী)—ৰিপোৰ্টত এইবিলাক কথাৰ উল্লেখ নাই । সেই

কাৰণেই কৈছো যে কাৰ্য্যকৰী কমিটি বহি সকলো কথা বিচাৰ বিবেচনা কৰি চাকিৰি জাবি চাইহে পট্টন দিয়াৰ ব্যৱস্থা কৰে । চৰকাৰে এইবিষয়ে কোনো এটা ৰিপোৰ্ট পালে ব্যৱস্থা কৰা হব ।

বিঃ ডেপুটি ৰেঞ্জাৰৰ প্ৰমোচন ।

শ্ৰীহেমেন দাসে সুধিছে ঃ

*১৩৭ ।মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) চলিত বছৰত কেইজন ডেপুটি ৰেঞ্জাৰক ৰেঞ্জাৰ পদলৈ প্ৰমোচন দিয়া হৈছে ?

(খ) জেষ্ঠতাৰ ভিত্তিত প্ৰমোচন দিয়া হৈছে নে ?

(গ) যদি হোৱা নাই, তাৰ কাৰণ কি ?

শ্ৰীধনী ৰাম ৰংপী (বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৩৭ । (ক)--চলিত বছৰত কোনো ডেপুটি ৰেঞ্জাৰক ৰেঞ্জাৰ পদলৈ প্ৰমোচন দিয়া হোৱা নাই ।

(খ)—প্ৰশ্ন নুঠে ।

(গ)—প্ৰশ্ন নুঠে ।

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, মাননীয় বন বিভাগৰ মন্ত্ৰীয়ে বাজেট উত্থাপন কৰোতে দিয়া হব বুলি কৈছিল কিন্তু আজি নিদিয়া বুলি কৈছে ।

শ্ৰীধনীৰাম ৰংপী, (বন বিভাগৰ মন্ত্ৰী)—১৯৮৪ চনৰ কাৰেণ্ট বছৰৰ কাৰণে কৈছো দিয়া হোৱা নাই ।

শ্ৰীমথুৰা ডেকা—গ্ৰেডেচন লিষ্ট মতে দিয়া হৈছে নে নাই জানিব বিচাৰিছো।

শ্ৰীধনীৰাম ৰংপী, (বন বিভাগৰ মন্ত্ৰী)—আগৰ কথাটো বেলেগ ।

Re: Bagribari State Dispensary building

Shri Siraj uddin asked:

*138. Will the Minister, Health be pleased to state—

(a) Whether it is a fact that the Govt. have sanctioned money for reconstruction of the Bagribari state Dispensary

building, staff quarter., cte?

(b) If so, why the construction works has not been started as yet ?

Dr. Bhumidhar Barman (Minister, Health) replied :

128. (a) – No.

(b)—does not arise.

শ্ৰীচিৰাজুদ্দিন আহমেদ—অধ্যক্ষ মহোদয়, যদি তেনে ধৰণৰ চেনচন দিয়া হোৱা নাই তেনেহলে এই ষ্টেট ডিচপেনচেৰীখন বহুত পুৰণা প্ৰায় ৭০ বছৰ মানেই হ'ল । বাকী কিছুমান ষ্টেট ডিচপেনচেৰীক বিলিফ গ্ৰেণ্ট, বিল্ডিং গ্ৰেণ্ট আদি দিয়া হৈছে কিন্তু এই ষ্টেট ডিচপেনচেৰী খনৰ বিল্ডিং গ্ৰেণ্টৰ ক্ষেত্ৰত ইমান পলম কিয় হ'ল ?

ডঃ ভূমিধৰ বৰ্ম্মন (মন্ত্ৰী)—চাৰ, এই ৰিকনষ্ট্ৰাকচন বিলাক কৰাৰ কাৰণে আমাৰ টকাৰ অভাৱ । আমি টকাৰ কাৰণে ব্যৱস্থা কৰি আছো আৰু টকা পালেই আমি এইটো বিবেচনা কৰিম । মাননীয় সদস্য গৰাকীৰ জ্ঞাতাৰ্থে মই জনাব খুজিছো যে বৰ্ত্তমান আপাততঃ সেই ষ্টেট ডিচপেনচেৰীখনৰ কাৰণে ৫ হাজাৰ টকা দিয়া হৈছে ।

শ্ৰীচিৰাজুদ্দিন আহমেদ—যত দুই লাখ টকাৰ দৰকাৰ তাত ৫ হাজাৰ টকা দিলে কি হব ?

ডঃ ভূমিধৰ বৰ্ম্মন (মন্ত্ৰী)— ৰিপেয়াৰিং কৰিবৰ কাৰণে টকা পালে বিবেচনা কৰিম ।

শ্ৰীচিৰাজুদ্দিন আহমেদ—ইমান দিনৰ পুৰণা এই ষ্টেট ডিচপেনচেৰীখন যদি ৰিপেয়াৰিং নকৰে তেনেহলে তাৰ বিল্ডিং ঘৰতো ভাঙি পৰিব । মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰো যে কিমান দিনৰ ভিতৰত কি ভিত্তিত এই টকা বিলাক দিয়া হৈছে ।

ডঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) – চাৰ, চিফ মেডিকেল এণ্ড হেলথ্ অফিচাৰৰ ৰিপোৰ্ট মতে বহুত ডাক্তৰ খানাৰ ঘৰ বেয়া হৈ আছে আৰু ভাল কৰিব লগা হৈছে । অকল বগীবাৰী ষ্টেট ডিচপেনচেৰী খনেই নহয় তেনেকুৱা বহুত ডাক্তৰখানা আছে । মই অনুৰোধ কৰিছো টকাৰ অভাৱৰ কাৰণে আমি সেইটো কৰিব

পৰা নাই আৰু সেই কাৰণেই আমাৰ হেলথ্ ডিপাৰ্টমেণ্ট মুখ্যমন্ত্ৰীৰ ওচৰ চাপিব লাগে ।

## UNSTARRED QUESTIONS AND ANSWERS

### Re: Murder of Jamini Kanta Roy.

Shri Chandradhar Kalita asked,

4. Will the Chief Minister be pleased to state—

(a) Whether the accused culprit in connection with the murder of Jamini Kanta Roy at Srijangram have been arrested ?

(b) If not, why ?

(c) Is it a fact that some innocent persons have been arrested and torured by police instead of arresting the real culprit ?

(d) How much ex-gratia financial assistance have been given to the bereaved family ?

Shri Hiteswar Saikia (Chief Minister) replied :

4.(a) - Yes.

(b)—Does not arise.

(c)—No. The real culprits have been arrested.

(d)—Rs. 3,000 (Rupees three thousand) only was given to the wife of the deceased.

### বিঃ কমলপুৰ চক্ৰত ২ লক্ষ টকা মঞ্জুৰী

শ্ৰীমথুৰা ডেকাই সুধিছেঃ

৫। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) যোৱা ১৯৮৩ চনত হোৱা বানপানীৰ ক্ষতি পূৰাবলৈ কমলপুৰ চক্ৰত ২ লক্ষ টকা মঞ্জুৰী দিয়া কথাটো সঁচানে ?

(খ) যদি সঁচা, টকাবোৰ কেনেভাৱে বিতৰণ কৰা হৈছে জনাবনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (ৰাজহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

৫ (ক)—সঁচা নহয় ।

(খ)—এই প্ৰশ্ন নুঠে ।

মাননীয় অধ্যক্ষ—মাত্ৰ পৰিপূৰক প্ৰশ্ন সুধিব পাৰে ।

শ্ৰীমথুৰা ডেকা—মাননীয় ৰাজহ মন্ত্ৰীয়ে দুই লাখ টকা দিয়া বুলি কৈছিল কিন্তু ডি-চি, এচ-ডি-চিক সুধিছো আৰু উত্তৰ নাপাই এই প্ৰশ্নৰ অৱতাৰণা কৰিছো ।

শ্ৰীকেশৱ চন্দ্ৰ গগৈ, (ৰাজহ মন্ত্ৰী)—দুই লাখ টকা কমলপুৰ চাৰ্কোলত দিয়া নহয় গুৱাহাটীত দিয়া হৈছে । কেৱল দুই লাখেই নহয় আৰু টকা দিয়া হৈছে ।

## Voting On Demands For Grants

Mr. Speaker—Now, Item No. 2.-Grant No. 57 Shri Ranjan Sarkar is to move.

Shri Sadhan Ranjan Sarkar (Minister)—Sir, on the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs, 13, 83, 000.00., be granted to the Minister-in-charge to defdray the charges which will come in course of payment during the year ending the 31st March, 1985, for the administration "Animal Husbandry and Veterinary".

Mr. Speaker—There are three Cut-motions on this grant and Cut-motion No. (1) is to be moved by the Hon'ble members Shri Alit Chandra Boro, Shri Binoy Kumar Basumatary and Shri Bimal Gayari, Cut Motion No (2) to be moved by Shri Hemen Das and Shri Purna Boro and Cut Motion No (3) to be moved by Shri Mathura Deka. Now, Shri Binoy Kr. Basumatary is to move.

Shri Binoy Kumar Basumatary—Sir, I beg to move that the total Provision of Rs. 13,83, 03, 000.00, under Grant No. 57, in respect of "Animal Husbandry & Veterinary", at pages 1-44 of volume, II, part XIII of the Budget, be reduced to Re 1.00.

Mr. Speaker—Hon'ble members Shri Hemen Das and Shri Purna Boro are now not in the house. Shri Mathura Deka is to move now.

শ্ৰীমথুৰা ডেকা —অধ্যক্ষ মহোদয়, এই এনিমেল হাচবেণ্ড্ৰি এণ্ড ভেটেৰিনাৰি শিতানত তেৰ কৌটি তিৰাশী লাখ তিনি হাজাৰ টকাৰ ৫৭ নং গ্ৰাণ্ট মঞ্জুৰীৰ বাজেটৰ একৰ পৰা চৌৱাল্লিশ পৃষ্ঠাৰ দুই নম্বৰ খণ্ডত তেৰ নম্বৰ অংশত বিচৰা এই মঞ্জুৰীৰ ক্ষেত্ৰত এই তেৰ কৌটি তিৰাশী লাখ তিনি হাজাৰ টকা এশ টকালৈ কৰ্ত্তন কৰা হওক বুলি উত্থাপন কৰিছো । এশ টকা কৰ্ত্তন কৰি মূল তেৰ কৌটি তিৰাশী লক্ষ তিনি হেজাৰ টকা স্থিৰ ৰখাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিলো ।

Shri Binoy Kumar Basumatary— Sir, once again in support of my Cut Motion I am to say that out of Rs. 13, 83, 03, 000.00 at page 2(c) 'Animal Husbandry and Veterinary services' an amount of Rs. 1 crore 32 lakhs 52 thousands on general plan areas; 2 crores 42 lakhs 81 thousand on non-plan general areas, 18 lakhs 34 thousand on 6th schedule plan areas and 16 lakhs on non-schedule plan areas are provided. According to this the deptt. had indicated that it is spending more than 20% on Animal Husbandry and Veterinary Service. But, Sir........................

To-day what happens ? If our people go to the Veterinary Hospitals for prevention of disease like Ranikhet and others no dispensary can provide anti-Ranikhet Vaccination

nor they can control the disease of poultry and other animals. Sir, if you make a rough estimate on the 1981 Accounts of Register General and if we anticipate that the total population of Assam is 2 crores, and if we understand that 70% of this population live in the rural areas and out of these crore people rear various kinds of birds, duck, poultry, pig and other animals, and if you take the account that every family rears a minimum of 100 chiken or 100 birds and if a bird costs Rs. 10/- then a minimum of Rs. 100 crores is involved. But the Government have failed to save this huge animal wealth of livestock in the rural areas by providing Veterinary services. Therefore, Sir, I oppose this huge allocation on the ground that the purpose of the allocation of-this huge amount will not serve.

Secondly, Sir, in page 3 on Cattle Development more than Rs. 3 crores has been alloted. About this Cattle Development we are not aware if the Government have any recognised Cattle Development Farm and if there is any then this Cattle Development Farm has failed because till now not a single bullock has been provided to any Tribal farmer. So far my knowledge goes these bullocks are purchased from Bihar and other areas and provided to the Tribals and other farmers. Therefore, Sir, this huge allocation of Rs. 3 crores will be misutilised. Recently, under Tribal Sub plan milch bufallows were provided but all these milch bufallows were brought from either Bihar or from U.P. In my village one of the Tribals happened to receive such a milch buffalow. But the buffalow calf died on its arrival. So, Sir, there should be experiment whether the calf would survive or not. But in practice without experi-

menting the survivality and without medically examining these breeds of animals the Government have imposed them on the poor people. therefore, the whole allocation under the Tribal Sub plan has been spoiled because of such misutility.

Lastly, Sir, at page 3 under the Tribal Sub plan another amount of Rs. 1 crore 35 lakhs has been provided. Under this head occasionaly some foreign breeds are provided to rural people and to the Tribals. Sir, about 4 years back in my constituency, one cocks of astrolo breed was provided with the intention that this astrolo will breed with the local hens. But most of the astrolos died within a month or so after their arrival. Therefore, Sir to me this huge allocation of fund to the Animal Husbandry and others is not justified. According to rule imposed an applicant is to furnish a certificate first. But without getting the animal or the bird how can a person provided certificate. But this certificate has to be provided by the Dispensary when the animal arrives to the effect that the animal is good in health and will survive. Unless the certificate is furnished the applicant is not given any animal or bird. Sir, another form of corruption is openly going on in the these Dispensaries. The Doctor can charge from Rs 5 to Rs. 25/—to give such a certificate. Besides this, the clerk who works in the office will have to be favoured with extra money if one has to obtain a Cattle or to process his application. Unless the clerk is paid this amount application will remain as it is Government allot Rs. 1200/—for each bullock but these veterinary people along with the IIDP people go to the

market and buy bullock at Rs. 800/—or Rs. 900/—and obtain. Signature from the seller that the bullock cost Rs. 1200/—. This racket is going on at the animal and Veterinary Hospitals/ Depertment. In 1979 one Piggery Demonstration Farm was established in So aigaon n my constit en y but till today no technical people has been posted in this establishment. There is one Chowkidar who rears thatch and sell. Therefore, Sir, the development programme of this Animal Husbandry & Veterinary has failed to serve the people so I oppose this allocation to the Grant. With these words I oppose the Demand and conclude my speech.

শ্ৰীমথুৰা ডেকা—মাননীয় অধ্যক্ষ মছোদয়, পশুচিকিৎসা· বিভাগৰ কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত মই দুআষাৰ মান কবলৈ বিচাৰিছো। আমাৰ খেতিয়ক ৰাইজৰ কাৰণেই হৈছে এইটো বিভাগ। এয়াই মূল কথা । পশুচিকিত্সাৰ ডাক্তৰখানা সমূহ থাকিব লাগে গাওঁত। ডাক্তৰসকল থাকিব লাগে গাওঁত। যত গৰু ছাগলী থাকে তাত থাকিব লাগে ডাক্তৰ আৰু পশুচিকিত্সাৰ হস্পিতাল। কিন্তু ভাল ভাল ডাক্তৰ আৰু ডাঙৰ পশুচিকিত্সাৰ হস্পিতালখন চহৰতহে আছে । কিন্তু আমাৰ চৰকাৰে সদায়ে গাওঁলীয়া ৰাইজৰ কাৰণে কান্দি থাকে। মানুহৰ ডাক্তৰ বা সিকিত্সাৰ ব্যৱস্থা পাচ মাইল অন্তৰে অন্তৰে পোৱা যায়, কিন্তু পশুচিকিত্সাৰ চিকিত্সালয় বহু অন্তৰতহে আছে। যিবিলাকৰ মাত নাই, যিবিলাকে আবেদন কৰিব নোৱাৰে যিবিলাকে মেল, মিটিং কৰিব নোৱাৰে এক গোট হৈ প্ৰটেষ্ট কৰিব নোৱাৰে সেইবিলাকৰ কাৰণে সুব্যৱস্থা কৰিব লাগে। আজি চিৰিয়াখানাত থকা জন্তুবিলাকক যি আহাৰ পাতি দিয়া হৈছে সেইবিলাকৰে তেওঁবিলাকৰে পেট ভৰিছেনে নাই সেইটোৰ কাৰণে সিবিলাকে আবেদন কৰিব নোৱাৰে আৰু একগোট হৈ প্ৰটেস্ট কৰিব নোৱাৰে । জীৱ-জন্তুবোৰে দৰ্খাস্ত কৰিবলৈ বা মন্ত্ৰীসকলক ঘেৰাও কৰিবলৈ নোৱাৰে । সেই কাৰণেই পশুচিকিত্সা বিভাগটোৱে সকাহ পাই আছে। এইবিলাকৰ পৰা পশুচিকিত্সা বিভাগটো বহুতো সমস্যাৰ পৰা আঁতৰি আছে । মোৰ বোধেৰে য'ত গৰু-ছাগলী বেছি তাত অধিক চেণ্টাৰ দিব লাগে

ায়ে ঠায়ে তুটাকৈ মাত্র চেণ্টাৰ দিয়া হৈছে সিবিলাকত আৰু অধিক চেণ্টাৰ দিব লাগে। মানুহৰ চিকিৎসাৰ কাৰণে যেনেকৈ পাছ মাইলৰ অন্তৰে অন্তৰে চিকিৎসালয়ৰ ব্যৱস্থা আছে পশুৰ চিকিৎসাৰ বাবে বাবে বাৰে লাগিছিল। সেইটো যেতিয়া নোৱাৰে মানুহৰ ব্যৱস্থাৰ দৰে ঠিক তেনেকৈ পশু বিলাকৰ কাৰণেও পাচ মাইলৰ অন্তৰতে চিকিৎসাৰ ব্যৱস্থা কৰিব লাগে। গাওঁৰ এটা পৰিয়ালত গড় হিচাপে পাচ জন মানুহ থাকে। সেই পৰিয়ালটোত গৰু-ছাগলী হাহ, কুকুৰা, পাৰ পাচতকৈ বহুত বেছি থাকে আৰু খেতিয়কসকলৰ এই গৰু ছাগলীয়েই হৈছে মূল সম্বল। চহৰৰ মানুহৰ কুকুৰ চাবলৈ চহৰত ডাঙৰ চিকিৎসালয় থকাৰ সলনি গাওঁ অঞ্চলৰ দুখীয়া খেতিয়কৰ গৰু-ছাগলী চোৱাৰ কাৰণেহে অধিক গুৰুত্ব আৰোপ কৰিব লাগে। এই বিলাক কাৰণেই খেতিয়ক সকল দুখত পৰে আৰু বাৰিষা হলে গৰু বিলাকৰ চৰকা নামেৰে এটা বেমাৰ হয়।

এই চৰকা বেমাৰটো হৈছে বসন্ত ৰোগৰ নিচিনা। এই বেমাৰত দুই চাৰিটা গৰু মৰেও। কিন্তু যি সময়ত এই চৰকা বেমাৰ হয় সেই সময়খিনি খেতিৰ ভৰ সময় হালৰ গৰু ভাল হয় মানে খেতিৰ বতৰ পাৰ হৈ যায়। আজিলৈ এই বেমাৰৰ কোনো উপযুক্ত সিকিৎসাৰ ব্যৱস্থা হোৱা নাই। গতিকে এই বেমাৰৰ পৰা যাতে সোনকালে গৰুক আৰোগ্য কৰিব পাৰি তাৰ কাৰণে এই বিভাগে চিন্তা কৰা উচিত। খেতিৰ সময়তে যেতিয়া হালৰ গৰু নাথাকে তেতিয়া মানুহে নতুন গৰু লবলৈ মাটি বন্ধক দিব লগা হয় নতুবা গৰুৰ অভাৱৰ বাবে মাটি চন পৰে। কৃষি বিভাগৰ পৰাও আমাৰ ৰাইজৰ ওপৰত মাধমাৰ পৰে। এই বিভাগে খেতিৰ ৰক্ষণা বেক্ষণৰ কাৰণে সাৰ চতিয়ায়। মোৰ মনত নাই আজিৰ পৰা ১০ বছৰ মান আগতে এৰোপ্লেনেৰে এবাৰ খেতিত কীটনাশক ঔষধ চতিয়াইছিল। সেই সময়ত অসমত প্ৰায় গৰুবিলাক মৰিল মৰণৰ এনেকুৱা কোব উঠিল যে শগুনেও খাই শেষ কৰিব নোৱাৰা হল। প্ৰত্যেক ঘৰৰে গৰু মৰিল। ডাক্তৰেও এই ৰোগ চিনি নোপোৱা হল অচিন ৰোগ, কোনোৱে কয় লিভাৰ কেন্সাৰ আৰু কোনোৱে বেলেগ ৰোগ কয়। এইবাৰ দ্বিতীয় বাৰ মৰাপাটৰ উন্নতিৰ কাৰণে সাৰ চতিয়াইছিল আৰু সেই পথাৰ বিলাক গৰুৱে ঘাহ খাই আকৌ এই বেমাৰ হ'ল। সাৰ দিলে

খেতিৰ উন্নতি হয় সঁচা কথা আৰু তাৰ লগত কীটনাশক ঔষধ দিবই লাগিব। কিন্তু সেই সাৰ বা কীটনাশক ঔষধ দিয়া ধানৰ খেৰ যেতিয়া গৰুৱে খায় আৰু তাৰ পৰা যে গৰুৰ বেমাৰ হয় সেই কথা আমাৰ বিভাগীয় ডাক্তৰে জানিব লাগে আৰু সেইমতে প্ৰতিষেধক ব্যৱস্থা গ্ৰহণ কৰিব লাগে। কিন্তু প্ৰতিকাৰৰ ব্যৱস্থা হলে নাই। গতিকে এই সাৰ কীটনাশক ঔষধৰ কাৰণে কিমান যে হাহ কুকুৰা ছাগলী গৰু মৰিছে তাৰ হিচাব বিভাগে নাজানে। এই কীট-নাশক ঔষধৰ কাৰণে গৰুৰ মহামাৰী হয়। গতিকে এই বিভাগে এই ক্ষেত্ৰত বহি থকা উচিত হোৱা নাই, বহি থকা এই কাৰণে কৈছো যে তেওঁলোকে উচিত ব্যৱস্থা লব পৰা নাই। আমাৰ এনেই ডাক্তৰখানা কম তাতে আকৌ যি কেইখন আছে তাতো ঔষধ নাই। মানুহৰ ডাক্তৰখানালৈ গলে প্ৰেচক্ৰিপচন দিয়ে কিন্তু গৰু ডাক্তৰখানাত গলেও প্ৰেচক্ৰিপচন দিয়াৰ ব্যৱস্থা কৰিছে। আমাৰ মানুহে ডাক্তৰখানালৈ নাযায় ফিজ দিয়াৰ ভয়ত তাতে আকৌ গৰুৰ চিকিৎসাৰ কাৰণে কিমান খৰছ কৰিব। এই গৰুৰ ঔষধ বিলাকৰ বৰ দাম। একোটা বটলৰ দাম ৩০—৪০ টকা আৰু ৬ টামান ইনজেকচনৰ দাম ৪০ টকা পৰ্য্যন্ত হয়। গতিকে মানুহে মানুহৰ চিকিৎসাই কৰিব নে গৰুৰ চিকিৎসাই কৰিব? গতিকে গাওঁ অঞ্চলত গৰু ম'হৰ চিকিৎসাৰ কাৰণে যাতে উপযুক্ত ঔষধৰ ব্যৱস্থা কৰা হয় তাৰ কাৰণে মই মন্ত্ৰী মহোদয়ক টানি অনুৰোধ জনালো। আমাৰ এই ঔষধ বিলাক ক'লৈ গ'ল? ঔষধৰ যোগান ব্যৱস্থা কি হ'ল? ঔষধ যোগানৰ ক্ষেত্ৰত এই বিভাগ যিমান তত্‌পৰ হব লাগিছিল সিমান তত্‌-পৰ হোৱা নাই। আমি শুনিছো আমাৰ পশুচিকিৎসা বিভাগে হাহৰ জাতৰ পৰিবৰ্ত্তন কৰিছে, গৰুৰ জাতৰ পৰিবৰ্ত্তন কৰিছে ম'হ আৰু কুকুৰাৰো জাতো পৰিবৰ্ত্তন কৰিবলৈ ওলাইছে। কিন্তু এই পৰিবৰ্ত্তনৰ ক্ষেত্ৰত গাওঁৰ ৰাইজ বহুত বিপদৰো সন্মুখীন হৈছে। আজি আমাৰ গাওঁ বিলাকত মানুহে জাৰ্চি গাই পোহাত বৰ আগ্ৰহশীল হৈছে। হবই কাৰণ এজনী খিৰতী গাই যদি দিনত ১৫—২০ লিটাৰ গাখীৰ দিয়ে তেওঁলোকে জাৰ্চি গাই কিয় নুপুহিব? কিন্তু জাৰ্চি গাইক যিখিনি খাদ্যৰ দৰ্কাৰ সেই খাদ্য কিমানজনে যোগান ধৰিব পাৰে? যি সকলে জাৰ্চি গাই পোহে তেওঁলোক অৱস্থাপন্ন লোক হব লাগিব। এই জাৰ্চি গাইৰ কাৰণে আটাৰ চাপৰ লাগে, গাইক গোহালীতে ৰাখিব লাগে ডাক্তৰ সকলে নিজে কয় যে গাই বাহিৰত চৰাব নিনিব। গোহালীতে ৰাখি

ভাল খাদ্য দিব । তেওঁলোকে ধাৰ লৈ এই গাই কিনে । গতিকে সেই হিচাবে ঔষধ খাদ্যৰ যোগান দিয়াৰ ব্যৱস্থা কৰিব লাগে । এই গাইৰ আকৌ চেউৰী ৰখা বৰ টান । জনমৰ পৰা বেমাৰ আৰম্ভ হয় ।

এই ক্ষেত্ৰত পশুচিকিৎসা বিভাগে যথেষ্ঠ পৰিমাণে আগবাঢ়িব লাগিব । আন এটা কথা হল যে গুৱাহাটীত গাখীৰৰ দাম যিটো আছে গাওঁ অঞ্চলত তাতকৈ কম । গাওঁত দুই টকাত এক লিটাৰ গাখীৰ পোৱা যায় । তাকো বহুতে বাকী কৰি নিয়ে আৰু বহুতে পইচাই নাপায় । গতিকে এই বিলাক কাৰণত পশুচিকিৎসা বিভাগে চাব লাগে । মানুহ গৰুৰ উন্নতিৰ কথা কলেই নহব, তাৰ পৰা সৰ্ব্বসাধাৰণ কেনেভাৱে উপকৃত হয় তাকো চাব লাগিব ।

অধ্যক্ষ মহোদয়, গাওঁত কাউৰীয়ে আজিকালি খাবলৈ নোপোৱা হ'ল। গাওঁত ভোজ ভাত খাবলৈ নাপাই বিশেষকৈ পাতি কাউৰীয়ে মিটিং পাতি গাওঁ এৰি চহৰলৈ আহিছে । টাউনতহে সিহত খাবলৈ পায় ।

( ভইচ : মিটিঙৰ প্ৰচিডিংচ আছে নেকি )

হাহিঁ আছে।

অধ্যক্ষ মহোদয়, গাওঁৰ মানুহ বিলাকক কেনেকৈ উপকাৰ কৰিব পাৰি সেই বিষয়ে এই বিভাগে শক্তিশালী নজৰ দিব লাগে । আজি চৰকাৰে মথাউৰি সজোৱাৰ কাৰণে মাটি অধিগ্ৰহণ কৰিছে । কিন্তু ৰাইজে সেই মাটিৰ ক্ষতি পূৰণ পোৱা নাই । যদিহে সেই মথাউৰি এলেকাৰ মানুহ বিলাকক গৰু ছাগলী দিয়াৰ ব্যৱস্থা কৰিলেহেতেন এই মানুহ খিনিৰ বহুত উপকাৰ হলহেতেন আৰু মথাউৰিৰ মাটিৰ ক্ষতিপূৰণ বিচাৰিবলৈকো তেওঁলোকে পাহৰি গ'লহেতেন । মাটি অধিগ্ৰহণ কৰি মানুহৰ মাটি কাঢ়ি চৰকাৰ বহি থাকিল। চৰকাৰৰ কৰ্ত্তব্য হোৱা উচিৎ আছিল এই সকল লোকক বিকল্প ব্যৱস্থা দিয়াৰ বাগান বিলাকত এটা গান আছে—"যদি বীণ নাহিটো মাডাল পিটো, বীণ হায়টো ছাগলী পুহো" অৰ্থাৎ যদিহে ধাৰ নাথাকে তেতিয়া বাজানা বজাব লাগে আৰু যদিহে ধাৰ থাকে তেনেহলে ছাগলী, হাহ কুকুৰা পুহিব লাগে । আনহাতে আমাৰ গাওঁত এটি কথা আছে, হাহঁৰ আয় হাহেঁ খায়, পাৰৰ আয় পাৰই খায়, ছাগলীৰ আয় গৃহস্থই খায় । এইবিলাক কথা চাবি-জাবি চাব লাগে । মানুহ

এইদৰেই আগবাঢ়ি যাব পাৰে। আজি আমাৰ কচাই সকলে পাঞ্জাব, হাৰিয়ানাৰ পৰা অনা ছাগলী কাটি বজাৰত বিক্ৰী কৰে। এই বিষয়েও পশুচিকিৎসা বিভাগে চাব লাগে। তাৰোপৰি আমাৰ ব্লক বিলাকত বহুতো মাটি আছে সেই মাটি বিলাকত হাহঁ, কুকুৰা আদি ৰখাৰ যথেষ্ঠ ঠাই হব। তাত থকা চকিদাৰ, পিয়ন আদিৰ দ্বাৰাই এইবোৰ চলাব লাগে। সাধাৰণতে হাহঁ, কুকুৰা, ছাগলী আদিৰ বিধান নগৰ বিশেষকৈ গুৱাহাটীৰ পৰা নিয়া হয় এইবোৰ গাওঁতেই পোৱাৰ ব্যৱস্থা কৰিব লাগে। ১৯ নবেম্বৰত প্ৰধান মন্ত্ৰীৰ জনম দিনত উৎসৱ পালন কৰি কাগজে পত্ৰে প্ৰচাৰ কৰি ৰাইজক হাহঁ, কুকুৰা দিলে, অৱশ্যে দুই এটাকৈ নিদিয়াকৈও থকা নাই। অৱশ্যে এইটোও সত্য যে সেই হাহঁ, কু কুৰা বোৰৰ দুই এটা বাটতেই মৰিছে। গতিকে মই মন্ত্ৰী মহোদয়ক উপদেশ দিওঁ যে প্ৰত্যেক ব্লকতেই পশুচিকিৎসা বিভাগৰ মানুহ নিয়োগ কৰি সেইবিলাক হাহঁ কুকুৰা, ছাগলী আদিৰ ফাৰ্ম খোলাৰ ব্যৱস্থা কৰিব লাগে। এইবিলাক ব্যৱস্থা হাতত লৈ অন্তত: গাওঁৰ মানুহ খিনিক বচাওক।

চৰকাৰে জাৰ্চি গৰু দিয়াৰ আগতে মানুহ জনৰ ঘৰৰ অৱস্থা চাই লব লাগে। পৰিয়ালৰ আৰ্থিক অৱস্থা বেয়া হলে জাৰ্চি গৰু দিব নালাগে। কাৰণ জাৰ্চি গৰুক পুহিবলৈ যথেষ্ট খৰচ লাগে। আনহাতে এনে মানুহক জাৰ্চি গৰু দি মানুহ জনকো ধাৰত পেলাব নালাগে আৰু চৰকাৰেও পাপৰ ভাগি হব নালাগে। মাটি বাৰী থকা মানুহকহে জাৰ্চি গৰু দিব লাগে। গাওঁত গৰু পোহাৰ ক্ষেত্ৰত এটি প্ৰায়ে চলে। সেইটো হৈছে গাওঁৰ মানুহে খিৰতি গাই ৰাতি প্ৰায় নাবান্ধে। এৰি দিয়ে। গাইজনীয়ে ৰাতি পথাৰৰ ধান খাই পেট ভৰাই ৰাতিপুৱা আহি গোহালীত সোমাই থাকে। আৰু গৃহস্থই গাখীৰ বেচিকৈ পায়। গতিকে পশুচিকিৎসা বিভাগে এইবোৰ কথা ভালদৰে চাব লাগে। লগতে ডাক্তৰখানা বোৰতো এইবোৰৰ ফাৰ্ম খোলাৰ ব্যৱস্থা কৰিব লাগে। কাৰণ ইয়াত যথেষ্ঠ পৰিমাণে মাটি থাকে। আৰু এইটো কৰিলে প্ৰদৰ্শনৰ নিচিনা হব আৰু তাৰ পৰা ৰাইজেও বহুত কথা জানিব পাৰিব।

অধ্যক্ষ মহোদয়, পশুচিকিৎসা বিভাগৰ যিবিলাক ফিল্ড এচিচটেণ্ট আছে তেওঁলোকে কামত সদায়ে ই অৱহেলা কৰে। গোটেই দিনটো তাচ খেলি থাকে। কাম একেবাৰে নকৰে। আপুনি যদি যিকোনো সময়তে ৰাইহাটা চাৰিআলিলৈ যায় তেতিয়া দেখিবলৈ পাব পশুচিকিৎসা বিভাগত কাম কৰে যে

চাৰিআলিত চাৰি পাচ জন লবাই তাচ খেলি আছে । বহুতে আকৌ চাকৰি কৰে তেজপুৰত কিন্তু দৰমহা লয় কোকৰাঝাৰত———

এনে ধৰণৰ খেলিমেলি আছে । মন্ত্ৰী মহোদয়ে প্ৰচুৰ পৰিমাণে ঔষধ দিয়াৰ ব্যৱস্থা কৰক যাতে জন্তুবিলাকক সহায় কৰিব পাৰে । তেখেতে ধৰ্ম্ম মানে, ধৰ্ম্ম হব বুলি মই ভাবো । মই মানৱ ধৰ্ম্ম মানো । আমাৰ ম'হৰ খুটি বিলাক ডাক্তৰখানাৰ পৰা বহুত দূৰত থাকে । মানুহক চিকিৎসা কৰাৰ কাৰণে বাটেৰে আনিব পাৰি । গৰুৰ বেমাৰ হলে কেনেকৈ আনিব ? গৰু অনাৰ বাবে গাড়ীৰ ব্যৱস্থা কৰিলে আপত্তি নকৰো, তেতিয়াহলে দূৰত হলেও আপত্তি নাই । যদি গাড়ী দিব নোৱাৰে তেন্তে চিকিৎসালয়ৰ ব্যৱস্থা কৰক । একোজন ফিল্ড এচিচটেণ্টৰ হাতত গাওঁবিলাক এৰি দিলে এই বিভাগৰ উন্নতি নহয় । অধ্যক্ষ মহোদয়ে কলে যেতিয়া এইখিনিকে কৈ সামৰণি মাৰিলো ।

*Shri Devananda Konwar—Mr. Speaker Sir, I rise not to appose the grant putforward by the hon. Minister Veterinary for an amount of Rs. 13,83,03,000. To me this grant apears to be not inadequate and I do not have a ward of apposition against this grant. I would even have supported a bigger grant if it were presented before this August House. While supporting the demand for grant. I want to make certain observations of my own by way of humble suggestions to the hon. Minister for his consideration and necessary action. Much has been said in this August House during the Budget Speech last year also but the things are lying there where they used to be. Two Departments of the Govt. are vitally related with the life of the common people of the villages namely, Agriculture Deptt. and Veterinary Deptt. If I may put it, they are just the two sides of the same coin. We know that our State has an Agricultural eco-

nomy and more than 80 percent of our people live in the villages following avocation of agriculture which in its broad contour adumbrate the Agriculture Deptt. also I feel therefore that this Veterinary Deptt. must like the Agriculture Deptt. needs to be given a new direction. The Veterinary provides the most important thing for the people of our State i. e. Protein, animal meat and liquid protein by way of milk. Now Sir, the Veterinary and Animal Husbandry Deptt. is also respensible for aringing about a new consciousness for helping the people to have better quality Cows, buffalows etc. For improving agriculture it may be therefore worthwhile for the hon. Minister for Veterinary to take initiative for drawing up an integrated and co-ordinated programme between the Veterinary Deptt., Agriculture Deptt. and Health Deptt. of the Govt. of Assam. Because after consultation amongst these 3 Deptts. probably they would be chalking out programmes and schemes which will be more effective and fruitful. Now, in the sphere of agriculture as the hon. members know there has been green revolution in certain States lske Panjab and Haryana. Similarly, in India to-day we are talking of other revolution such as white Revolution, in States like Gujrat, Maharastra and in parts of West Bengal. This white revolution has been brought about due to the activities of the Animal Husbandry Deptt. What we mean by white Revolution ? We mean supply of abundunat milk and eggs. These are very important not only for the health of the people, but also important for raising the income of our submerged people living

in the rural areas. In our State we do not find that there is any temple created for bringing about white revolution in the State. In this connection ,I do not want to belittle what has been done by the Animal Husbandry and Veterinary Deptt. I do not wish to blame the officers involved in this department. What I feel is that in this matter leadership for us, i.e., from the political masters should come and not from the bureaucratic managers. It is the Ministry, as I feel, and not the administrarive mechinery which should provide the impetus and the vision to bring about a new movement amongst the people for improving their lots through the activities of the Veterinary department by participation in the various schemes. In this connection, I would like to observe, as the hon. members from the opposition happened to mention one instance. Mr. Dy. Speaker, Sir, you have seen that throughout the State truckloads of goats are being supplied for States like Madhya Pradesh, Haryana, Punjab and Maharastra. I do not know if there is any scheme but I have not seen any scheme for rearing goats in our field. I will suggest that the Animal Husbandry and Veterinary department should take up schemes in rearing goats in the State so that the local market can be supplied by the local producers. Sir, while driving from Gauhati to Dibrugarh and from Dhubri to Gauhati, we can come across inumerable truck load of goats' meat on the hoof. The meat on the hoofs must be produced within the State under the aegis of the State Animal Husbandry and Veterinary Department and the people should be involved for production and rearing of

goats for selling of goats inside the State and thereby we should try to improve the lot of the people and the Animal Husbandry and Veterinary Department should not stand like a helpless on lookers. They should be up and doing and they should take up some schemes of welfare nature. Secondly, Mr. Deputy Speaker Sir, I would like to say a few words about the whole attitude and psychology of this Department. I do not like to single out the Department. There is an attitude in several Departments including the present Department on which I am submitting. There is an attitude in several Departments including the present Department on which I am submitting. There is an attitude of non-involvement, an attitude of white collar job, an attitude of engaging contractors, an attitude of nepotism in execution of schemes. Let us take up the matter of milk supply scheme ? What do we find ? I humbly submit to the Hon'ble Minister-in-charge of Veterinary to be a little prospective. Do we supply milk from our own source ? Had we produced milk to meet our requirment ? we are simply collecting milk produced by villagers and supply to the people. I do not say it need not be done of ought to be done in large meassures. What about producing good quality milk ? Did we demonstrate the process to produce quality milk ? Therefore Sir, I would suggest that there ought to be a few demonstration centres, much more than a sporadic exhibitions. Sir, we should have some demonstration centres not in urban areas but in rural areas or semi -urban areas wherein we should have some cattle farms and poultry farms and the Department should be able to demons-

trat. I do not know any such centre in Assam from which the Animal Husbandry and Veterinary Depatment can sell a least one hundred bullocks, or a thousand or cows or a similar number of burralowes. Sir, as we know, the climate of Assam is very good for rearing not only bullocks, cows but also burraloes. What we find in case of buffaloes? There numbers are dwindling day by day in our State. Therefore, the Department of Animal Husbandry and Veterinary should have some demonestration centres immediaely in our state. They must have poultry farms in certain areas. Sir, there was a poultry farm in my own constituency on the bank of Joysagar Tank. Thanks to the administration that they have not been able to do little improvement to this farm. This farm is supposed to supply birds and eggs. If you place order for birds, they are not in a position to supply birds. They are even not in aposition to supply eggs in large numbers from this Departmental Farm. Therefore, it will be useless to talk of or to persuade the villagers to take up poultry farming as a means of their livelihood. Sir, there is establishments of veterinary centres and subcentres in villages. Small establishment is attached to them. But these dispensaries are very inadequately furnished in terms of drugs and in terms of services also. I, therefore, suggest that there should be a survey for increasing the number of the centres. They should be properly equipped with medinine and services. Sir, more making provision in the Budget for establishment of a few buildings or Assam type house for putting up of a centre will not serve our purpose

I would like to suggest that in order to bring about mass conscious new mass involvement for transforming our economy in our rural areas, there must be some efforts to motivate the people and then motivation can best be made through the Extension officers of the Veterinary Departments at the Block Level. This will bring about a mass movement for creation of more veterinary production in the state. The efforts needed to be concentrated. Lastly.... Sir, I would refer to one aspect which I feel the Veterinary Department ought to take up with great Seriousness. This is with respect to utilisation of the wastes. Mr. Deputy Speaker, Sir, you know that great emphasis has been laid under the new 20 Point Programme. It is the programme for elimination of the system of contractors. It is the programme for the involvement of the people directly for their own benefit. It is a programme of the people, by the people and for the people and all the departments, much more the Veterinary Department should take great advantage of this programme. Now for the utilisation of wastes what I would like to submit Sir, is that this generation of bio-gas, this biological conversion, what is called the gobar gas plant, involves enzymetic or bacterial break down of micro-organisms and when the wastes are fed in a specially desiwgned digester which is placed above or below the ground gas is produced, which can be converted into mechanical and electrical power. This is a very important aspect and for the creation of this bio-gas in our rural areas emphasis should be given and I feel our Animal Husbandry and Veterinary Department can do a lot about it. Now this bio-gas is a mixture of three constituent gases—they

are mothane, carbon monoxide. Both these mothane and carban monoxide cases are combustible gases and they can be directly used for heating and cooking in rural areas. For your information, Sir, what is important is that all sorts of wastes, not only cow dung but dung of buffaloes, goats even human wastes, of course I am not concerned with human wastes here, even vegetable waster and water hyacinths can be used in gobar gas plants for convertin into gases. I would quote some figures for your information and consideration of the hon'ble Minister concerned, Sir, In India according to 1971 cattle census there are 237 million of cattle and they produce, the total quantity of cow dung produced is 650 million tons and this 650 million tons of cow dung can produce bio-gas of the order of 845 billion cubic feet and this 845 billion cubic feet of bio-gas is equal to 1187 million tons of kerosene and 8347 million cubic feet of fire wood. So, how much energy can be produced can be imagined. This is all India figure but even in Assam according to the authorities the normal daily production is 10 KG. per cattle per day. So, I would humbly suggest that this aspect of producing bio-gas, which is one of the goals of the new 20 Point Programme this may be considered by the Veterinary Department. Sir, with respect to supply of cattle to our farmers, particularly after the floods, through the Veterinary Exension Officers, there is provision for giving loans for purchase of cattle, buffaloes and bullocks. But wherefrom our villagers will get good stock? This responsbility of proviping good quality cattle should be taken over by

the Veterinary Department and these should be reared in demonstration centres so that our villegers can be supplied with better breed of cattle. It is not enough that we give them some for purchase of cattle, buffaloes and bullocks. But wherefrom they will buy ? They will buy from the market ordinary quality of bullocks and as we know these are not of the improved type. So, our villagers should be provided with improved type of bullocks and buffaloes and that responsibility should be the responsibility of the Veterinary Department. Similarly, in all other spheres also it is not enough that we distribute a duck unit here or there but distribution of duck unit should be of quality also and their benefit in economic terms can be real and substantial. Thank you Sir.

মাননীয় উপাধ্যক্ষ—মাননীয় সদস্য সকলৰ বিবেচনার্থে মই জনাল খোজো যে, আমাৰ ছজন বক্তা আছে, তিনিটা গ্ৰাণ্ট পাছ কৰিবলৈ আছে আৰু মন্ত্ৰী মহোদয়ৰ উত্তৰো আছে গতিকে আপোনালোকক ৫ মিনিটকৈ সময়হে দিয়া হৈছে ।

শ্ৰীবৰ্গৰাম দেউৰী—মাননীয় উপাধ্যক্ষ মহোদয়, মই পশুপালন বিভাগৰ ওপৰত যি কৰ্ত্তন প্ৰস্তাৱ আহিছে মই তাৰ বিৰোধিতা কৰিছো আৰু এই বিভাগটোৰ ওপৰত কেইটামান কথা কবলৈ ওলাইছো । এই বিভাগটোৰ এটাই উদ্দেশ্য হৈছে সেইটো হৈছে যে উন্নত ধৰণৰ জীৱ-জন্তু আনি কেনেকৈ মানুহৰ মাজত সম্প্ৰসাৰণ লাভ কৰিব পাৰি তাৰ কাৰণে চেষ্টা চলোৱা । এতিয়ালৈকে যিবিলাক মানুহৰ মাজত এই বিভাগটোৱে ভূমিকা লৈছে সেইবিলাক কৃতকাৰ্য্য হৈছে বুলি কব নোৱাৰি । বিশেষকৈ গাওঁ অঞ্চলত থকা মানুহে যিবোৰ মুৰ্গী পোহে সেইবিলাকৰ বানী খেদ বেমাৰ হয় । ইয়াৰ প্ৰতিষেধক বেজি ওলাইছে যদিও বছৰটোৰ কোনোবা এটা সময়ত এই বেমাৰ আহি একেবাৰে উচন্ন কৰি পেলায় । জনজাতীয় এবিয়াত থকা প্ৰতি ঘৰ মানুহৰ মুৰ্গী বছৰৰ এটা সময়ত উচন্ন হৈ যায় । এই বেমাৰ নিয়ন্ত্ৰণ কৰিব পৰা নাই । কিয় কৰিব পৰা

নাই ? ইয়াৰ কিবা ব্যৱস্থা লৈছেনে সেই কথা আমাক জনাব লাগে । যিমানেই উন্নত ধৰণৰ মুৰ্গী নিদিয়ক কিয় বছৰৰ এটা সময়ত এই বানী খেদ বেমাৰটো আহি সকলো নিঃশেষ কৰি পেলায় । যদি চৰকাৰে উৎপাদন বঢ়াব খোজে তেতিয়াহলে এই বানী খেদ বেমাৰ সম্পূৰ্ণৰূপে নিয়ন্ত্ৰন কৰিব পাৰিব লাগিব । ইয়াৰ দুটা উপায় আছে—মাংস আৰু কণী ।

আজি চৰকাৰে অধিক উৎপাদন কৰাৰ কথা কৈ আহিছে আমিও এই কথা ভাবো । কিন্তু মুৰ্গীয়েই যদি নাথাকে তেনেহলে কণী কৰপৰা উৎপাদন হব ? আমাৰ ফাৰ্ম বিলাকৰ পৰা যিখিনি কণী আহে সেইখিনি যথেষ্ঠ নহয় । আমি ভাৰতৰ বহু ঠাইলৈ গৈছো সেই বিলাক ঠাইৰ তুলনাত অসমতেই কণীৰ দাম আটাইতকৈ বেচি দেখিছো ।

দ্বিতীয়তে মই কব বিচাৰিছো যে গাহৰিব যিটো চইল ফেভাৰ হয় সেইটোৱে গাৱৰ গাহৰী বিলাক বছৰৰ একেটা সময়তেই মাৰি লৈ যায় । চৰকাৰে আজি যিবিলাক গাহৰি দিছে সেই বিলাক সকলোতে পোৱা নাযায় । আমাৰ জন-জাতীয় লোকসকলে পূৰ্বৰে পৰাই গাহৰি পুহি আহিছে । আগতে আমাৰ গাওঁবিলাকত ইমান গাহৰি পুহিছিল আৰু বেমাৰ আতৰ নোহোৱাৰ কাৰণে সেই বিলাক গাহৰিকে বেচি কিনি-একোটা পৰিয়াল পোহ-পাল গৈছিল । আজি চইল ফিভাৰ নামৰ বেমাৰটোৱেই সেই বিলাক গাহৰি মাৰি নাইকীয়া কৰি পেলাইছে । এই বেমাৰটো এনেকুৱা মাৰত্মক যে অলপ সময়ৰ ভিতৰতে একোটা বৰ ডাঙৰ গাহৰিও মাৰি পেলাব পাৰে । এইটো বন্ধ কৰিব নোৱাৰিলে অধিক উৎপাদন কেতিয়াও হব নোৱাৰে । চৰকাৰৰ পৰা যিবিলাক গাহৰি দিয়ে সেই বিলাক কেনেকৈ কি কৰিব লাগে সেই সম্পৰ্কত প্ৰশিক্ষণ নিদিয়াৰ কাৰণেই আমাৰ মানুহে সেই বিলাক যেনেকৈ ৰাখিব লাগে সেইটো নাজানি ৰাখিব নোৱাৰাৰ কাৰণেই যি ফল পাব লাগে তাৰ পৰা বঞ্চিত হব । গতিকে মই তাৰো প্ৰথম অৱস্থাটো পূৰণ কৰিব নোৱাৰিলে আমাৰ অধিক উৎপাদন হব নোৱাৰে ।

চৰকাৰে জাৰ্চি গাই বিতৰণ কৰিছে যদিও এইটো শুনা গৈছে যে জাৰ্চি গাই দুখীয়া মানুহে নাপাই ধনী মানুহেহে পায় । সেই কাৰণেই এজন দুখীয়া মানুহে জাৰ্চি গাইৰ পৰা যিমান উৎপাদন পাব লাগে সিমান উৎপাদন নাপায় । কাৰণ এই গাই বিলাকক দানা পানী দিয়াৰ কথা আছে, সিকিৎসা কৰিব লাগে

সেই বিলাক এজন দুখীয়া মানুহে সিমান পৰিমাণে কৰিব নোৱাৰে । ফলত জাৰ্চি গাই এজনীৰ পৰা যিমান উৎপাদন পাব লাগিছিল সিমান উৎপাদন নাপায়। আজি কালি ক্ৰচৰ ব্যৱস্থা কৰা হৈছে । ক্ৰচৰ ব্যৱস্থা কৰিবলৈকো যেনে ধৰণৰ বলদ পাব লাগে তেনে ধৰণৰ বলদ সকলো ঠাইতে পোৱা নাযায় । গতিকে এই ক্ষেত্ৰতো কিছুমান ঠাইত অসুবিধা হৈছে । গতিকে মই চৰকাৰক এই কথা কব খুজিছো যে চৰকাৰৰ বৰ্ত্তমানৰ দৃষ্টিভংগী সলনি কৰিব লাগিব। প্ৰজেক্টৰ পৰা যিবিলাক বস্তু দিয়ে, কেনে বস্তু দিয়ে, কোনে পায়, কোনে খায়, সেই বিলাক কথা চাব লাগে । কেৱল টকা খৰচ কৰি বস্তু দিলেই নহয় । সেই বিলাকৰ সত্‌ব্যৱহাৰ হব লাগিব । এইটো এটা গুৰুত্বপূৰ্ণ বিভাগ । এই বিভাগৰ পৰাই হাঁহ, কুকুৰা, গাহৰি, গৰু ম'হ আদি দিয়া হয় । এই বিলাকৰ ৰক্ষণা বেক্ষণ সম্পূৰ্ণ চৰকাৰৰ । এই গোটেই বিলাক কাম কৰিবলৈ বৰ্ত্তমান যিমান টকা দিছে এই টকাই যথেষ্ট নহয় । মই ভাবো এই বিভাগৰ কাৰণে আৰু টকা দিব লাগে । সেই কাৰণেই দাবী মঞ্জুৰীটো সমৰ্থন কৰি, কৰ্ত্তন প্ৰস্তাৱ-টোৰ বিৰোধিতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো ।

শ্ৰীসত্য তাতীঃ— মাননীয় অধ্যক্ষ মহোদয়, বিৰোধি সদস্য বন্ধু সকলে যিটো কৰ্ত্তণ প্ৰস্তাৱ আনিছে মই সেইটোৰ বিৰোধিতা কৰিছো। কাৰণ ভেৰি-নাৰি বিভাগটো হৈছে এটা গাৱলীয়া বিভাগ। কিন্তু আমাৰ গাৱলীয়া ৰাইজে এই পশুপালন বিভাগৰ পৰা যিমান বিলাক সুবিধা পাব লাগিছিল সিমান বিলাক সুবিধা পোৱা নাই। ব্লক বিলাকত গৰু মহৰ চিকিত্‌সাৰ কাৰণে ডাক্তৰ দিছে যদিও গৰু মহৰ বেমাৰ হলে ডাক্তৰ কেতিয়াও নাহে। গৰু মহ হস্পিটাললৈ ডাঙি লৈ যাব লাগে। ডাঙি নিব নোৱাৰিলে ডাক্তৰক আহিবৰ কাৰণে গাড়ী দিব গাগিব। আৰু যদি তাকো দিব নোৱাৰে তেনেহলে পইচা দিব লাগিব। এই বিলাক কাৰণত গাৱলীয়া ৰাইজ বেমেজালিত পৰিছে।

এই বিভাগটোত আৰু এটা ডাঙৰ কথা হৈছে যে এই বিভাগৰ পৰা যি বিলাক পশু-পক্ষী দিয়ে সেই বিলাক চোৱা চিতা কৰিবৰ কাৰণে যি প্ৰশিক্ষনৰ আৱশ্যাক সেই প্ৰশিক্ষন দিয়াৰ ব্যৱস্থা নাই। অলপতে কাছাৰৰ এখন ঠাইৰ পৰা কিছুমান হাঁহ আনি বিতৰণ কৰিলে। বিতৰণ কথা শুনি গাৱলীয়া ৰাইজ হাঁহ লবলৈ জিলা বা মহকুমাৰ সদৰলৈ ২০।৩০ টকা খৰচ কৰি আহিল। তাৰে কিছুমানে হাঁহ পালেই নহয় সেই বিলাক ভালকৈ

প্ৰতিপালন কৰিব লাগিব। প্ৰশিক্ষনৰ অভাৱত ভালকৈ প্ৰতিপালন ৰাইজে কৰিব নোৱাৰিলে। তাৰোপৰি এই হাঁহ ৰাখিবৰ কাৰণে ৰাতি লাইট দি ৰাখিব লাগে। কিন্তু গাৱঁৰ মানুহৰ লাইট কত আছে। ঘৰত জলাবলৈকে লাইট নাই তেনেক্ষেত্ৰত হাঁহৰ গৰালত লাইট দিব কৰ পৰা? লাইটৰ পৰি-বৰ্ত্তে ৰাতি চাকি জলাই থয়। এই বিলাক কাৰণতেই এই বিলাক হাঁহ মৰি গল। তাৰোপৰি বেমাৰেও হাঁহ মাৰি নিয়ে। কেতিয়াবা নজনাৰ কাৰ-ণেই বেমাৰি হাঁহ আনি ভাল হাঁহৰ গৰালত থোৱা কাৰণেও ভাল হাঁহৰ বেমাৰ হৈ মৰে। গতিকে এই বিলাক হবলৈ পাইছে কেৱল প্ৰশিক্ষনৰ অভাৱৰ কাৰণে। মই আৰু এটা কথা ভাবো যে যিবিলাক হাঁহ কুকুৰা ৰাইজৰ বিতৰণৰ কাৰণে আছে সেই বিলাক কিছুদিন চৰকাৰে নিজৰ তত্বাৱধানত ৰাখি তাৰ পিচতহে ৰাইজক বিলাই দিব লাগে।

জনসংখ্যা বৃদ্ধি হোৱাৰ লগে লগেই মাটিৰ অভাৱ হৈ পৰিছে। ফলত যি বিলাক গ্ৰেজিং ৰিজাৰ্ভ আছিল সেই বিলাক মানুহে দখল কৰা হৈছে। তাৰ কাৰণেই গৰু মহ চৰাবলৈ ঠাই নোহোৱা হৈ পৰিছে। সেই কাৰণেই এটা কথা ভাবিছো যে পশুপালন বিভাগে ৰাজহ বিভাগৰ লগত লগ লাগি গৰু মহৰ ঘাহৰ কাৰণে মাটি ৰখাৰ ব্যৱস্থা কৰিব লাগে। নহলে মানুহে গৰু মহ পুহিবলৈ এৰি দিব লাগিব।

উপাধ্যক্ষ মহোদয়, আজি আমাৰ যিবোৰ অঞ্চলত চাহ বাগানবোৰ আছে সেইবোৰতো বাগানৰ মেনেজমেণ্টে ফেন্সিং দিয়াৰ কাৰণে সেইবোৰত গৰু-ম'হ চৰাবলৈ ঠাই নাইকীয়া হ'ল। আনহাতে চৰকাৰে প্ৰশিক্ষণ নোহোৱাকৈ আৰু পৰীক্ষা নকৰাকৈ হাহঁ, কুকুৰা, গৰু, ম'হ আদি পুহিবলৈ দিয়া কাৰণে ৰাইজৰ যি উপকাৰ হব লাগিছিল তাতকৈ অপকাৰহে হোৱা দেখা যায়। সেই কাৰণে এই বিভাগৰ শিতানত যি টকাৰ মঞ্জুৰী দাবী আহিছে প্ৰয়োজন হলে আৰু তাতোকৈ বেচি টকা ধৰি এই বিভাগটোৰ উন্নতি সাধিবলৈ অনুৰোধ জনালো। আৰু তাৰ লগে লগে বাগানৰ বনুৱা, অনুসুচিত জাতি আৰু জনজাতিৰ লোক সকলক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰি হাঁহ, কুকুৰা, গৰু, ম'হ আদি বিতৰণ কৰিব লাগে। তেতিয়াহে আমাৰ এই উদ্দেশ্য সফল হব। মোৰ কাৰণে সময় আৰু নাই। সেই কাৰণে মই আৰু বহলাই নকও। এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

(Mr. Dy Speaker vacated & Mr Speaker took the chair)

Shri Sadhan Ranjan Sarkar (Minister)— Mr. Speaker sir, I express my thanks to the honourable Members who have extended their valued suggestion for the improvement of the Department as well as expressed their anguish and anxiety for the animels and birds which are deaf and dumb, meek and mild but which contribute much to the physical and economic health of this poor state.

Firstly my friend, Shri Binoy kumar Basumatari has pointed out about the incidence of various diseses which have taken a heavy toll of the lives of goats, ducks and hens and such other animals and birds. But I do admit that we could not cope 100 per cent with this situation, yet I would like to say, much improvement has been made in the matter of tackling the deseass. I can show from the figures with me from 1950 onwards which will show that the Department has made much head way in this direction.

In 1950-51, incidence of discase was 12% ; now the incidence has come down to 9%, that is regarding foot and mouth diseases. As regards the disease of Anthrax, it has come down from 12% in 1950-51 to 5% now.

More over, our Department has a laboratory which produces vacines for meeting not only the requirement of our State but it also supplying them to other States. Our laboratory is regarded as one of the best in Asia. It is not a fact that this Department is sitting idle over the matter, but it is giving much thought how to improve the Department in all branches.

Time is very short, Sir. I only touch upon the points raised by my friends.

Regarding cattle development, Sir, our Department has improved a lot. But sir, every improvement requires certain dose of money which everybody is aware of. In our State, at present there are 413 State Dispensries, 1112 First Aid Centres, 33 key Village Centres, 19 Check Posts and other institutions. Every State Dispensary requires a minimum of Rs. 10,000 for medicines and annual maintenance. So this Department needs Rs. 181 lakhs to cater to the needs of the State, instead only Rs. 40·00 lakhs are being provided under this head. So with this meagre amount, sir, you will appreciate, how can the department cater to the cent per cent needs of the animals in the State. However within this costraint the department is trying hard to rise to the occasion. Good progress has been made in respect of artificial insemination programme. More then 2 lakhs cross bred cows were produced already. This programme of rearing cross-bred cows has became very popular and beneficial among the farmers of the State, as it is found, a cross-bred cow gives as high as 22 ltrs of milk a day equal to what is produced by ten indegwres milch cows. So large number of farmers are now taking up rearing of cross bred cows and dairy farming, and at the same time it is giving employment to the educated unemployed youth. In the year 1982-83, 1.60 lakhs number of artificial inseminatioh was done in the State; in 1983-84, 1.94 lakhs of artificial insemination was achieved.

Sir you will appreciate that this Department is making much headway in the matter of cattle development of the State. My friend, Shri Binoy Basumatari has raised certain points regarding the selection of cows and bullocks and their distribution the tribal people. Sir, there is a Committee and this Committee makes the selection of animals. The Committee consists of District and Subdivisional officers. The Committee is also associated with some prominent local person i e benificiary According to the recommendation of the Committee, selection and distribution of animals are made. Sir, the Hon'ble Member has raised certain charges of corruption against the persons responssible for selection and purchasing of inferior qualities of buffaloes at a lessor cost and distributed to the farmers at a higher cost. Sir, I can assure the Hon'ble Member that I shall get the matter enquired into and take all possible steps so that it does not recur. Then, sir, regarding the Sonaigaon Farm, the Hon'ble Member has stated that requisitesstaffs are not provided. Sir, the Piggery Farm at Sonaigaon is yet to be completed. It will be completed by the next year and the required staffs including technical personnel will be provided as soon as it will be completed. Sir, some of ths Hon'ble Members have raised certain pertinent points but since the time at my disposal is very short I am afraid I will not be able to cover all the points. Hon'ble Member Shri Mathura Deka has given verb valuable sugestions which will be taken into consideration by the Department, He has also pointed out about the miserable plight for the distribution

of medicines and other ancilliaries like equipments etc. to the villagers. Sir, I have covered this point earlier. I would like to point out once again that due to the financial constraint it is not practically possible to provide the medicines for which we are trying aur best to make the necessary funds available. Sir, I agree with the Hon'ble Members that we are not in a position to cater fully to the needs of the people. Sir, my friend has raised certain points about the diseases which have seen particularly during the rainy season. Sir, in this respect our Deptt. is taking vigorous steps to control the disease. As soon the information of such disease is received by the departmental officers, they rush to the spot and render all possible help. Sir, the Department has introduced a 'Pre-paid-Post-Card' system in the villages to inform about their diseases as quickly as possible to resist the epidemic. in time. Sir, many other suggestions are also made by the Hon'ble Members but my time is very short and I am not in a position to cover them all. Sir, I have mentioned, the department has made much headway for the development of Piggery, Duckery and Poultry-farming throughout the State. As regards the duck development, I would like to state that our State has made a major break-through as it has made a very good impact and response amongst the poor villagers. During the current year we have distributed 13000 deck units, amongst the villagers, of them 5000 to destitute women. In the next year we propose to cover 15000 units amongst the poorest sections. The average laying of local ducks are 60 to 70 whereas khaki

Camel Ducks give 250 eggs. Therefore, Sir, we are trying to shift to the Khaki Camel Ducks as the response from the people is very much appreciable. With these words Sir, I would now request the Hon'ble Members to withdraw their Cut-motions. I assure the Hon'ble Members that the suggestions and their grievences will be taken into consideration by the Department.

Shri Binoy Kumar Basumatary—Sir, what steps have been taken to prevent & control the 'Ranikhet' disease. Whether vaccines will be provided to the villagers for their cows and buffaloes ?

Shri Sadhan Ranjan Sarkar (Minister)—Sir, I have already stated that a special scheme for the control Raniket disease is already taken up by the deptt. under centrally sponsored programme. In addition to regular vaccination programme, the special staffs are provided for vaccinating the poultry farms.

Shri Binoy Kumar Basumatary— Sir, I would like to know whether the medicines will be made available to the dispensaries ?

Shri Sadhan Ranjan Sarkar (Minister)—Sir, I have already stated that the department has taken all possible steps to supply the medicines to the dispensaries.

Shri Binoy Kumar Basumatary—Sir, I withdraw my Cut motion.

শ্ৰীমথুৰা ডেকা :— মই মোৰ কৰ্ত্তন প্ৰস্তাৱ উঠাই লৈছো।

Mr Speaker. Is it the pleasure of the House to grant leave to the hon. member to withdraw the cut motion.

(Voices yes, leave granted and the cut motion withdraw)

Now I put the main grant - that a sum of Rs. 13, 83, 3000/—be granted to the Minister in charge to defray certain expenditure which will come in course of payment during the year ending the 31st March 1985 for the administration of "Animal & Veterinary."

Grant No. 57 is passed

Shri Sadhan Ranjan Sarkar (Minister) Sir on the recomendation of the Governor of Assam I beg to move that an sum of Rs. 4,72,93,000/—be granted to the Minister in charge to defray certain expenditure which will come in course of the payment during the year ending the 31st March 1985 for the administration of "Dairy Development":

Mr. Speaker – There is no cut motion to this Grant. Now I put the Grant before the House—that a sum of Rs- 4,72,93000 be granted to the Minister in charge to defray cartain expenditure which will come in the course of payment during the year ending the 31st March 1985 for the administration of "Dairy Development".

Grant No. 58 is passed

Shri Hiteswar Saikia (Chief Minister) Sir, on the recommendation of the Governor of Assam I beg to move that an sum of Rs. 12,69,000/—be granted to the Minister in charge to defray certain expenditure which will come in course of payment during the year ending the 31st March, 1985 for the administration of "Taxes on income and other expenditure".

Mr. Speaker—There is no cut motion to this Grant. So, I put the grant before the House—that a sum of Rs. 12,69000/—be granted to the Minister in charge to defray certain expenditure which will come in course of payment during the year ending the 31st March 1985 for the administration of "Taxes on Income and Other Expenditure."

Grant No. 5 is passed

Shri Hiteswar Saikia (Chief Minister ) Sir, on the recommendation of the Governor of Assam I peg to move that a sum of Rs. 1, 94, 1000/—be granted to the Minister in charge to defray certain expenditure which will come in the course of payment during the year ending the 31st March 1985 for the administraation of "Sales Tax and other Taxes."

Mr. Speaker—There is no cut motion to this grant. So, I put the grant—that a sum of Rs. 1, 94, 1000/ —be granted to the Minister in charge to defray certain expenditure which will come in the course of payment during the year ending the 31st March 1985 for the administration of "Sales and Other Taxes."

Grant No. 10 passed

Now the House stands adjourned till 10 a.m. on 26th March; 84—

.....................

## ADJOURNMENT

The House then close at 11-34 A.M. and stood adjourned till 10 A.M. on Monday, the 26th March 1984 Dated, Dispur.

The 23rd March, 1984

P.D. Barua
Secretary
Assam legislative Assembly